and won a majority in the Assembly Election in 1985 under the leadership of Sri Prafulla Kumar Mahanta who was sworn in as Chief Minister in the Nehru Stadium on December 24, 1985. Immediately after coming to power the AGP Government dissolved the Governing Bodies of the Aided Colleges of the Assam in January 1986. As such, the decision for introduction of Science had to be taken solely by the Principal backed by the staff and students of the College and the general public. The Assam Higher Secondary Education council was pleased to grant permission to open Science faculty in the +2 Stage from the session 1986-87 with the concurrence of the state Government. The 1st year H.S. Science class started functioning from 1st September 1986 with 20 students on roll and was formally inaugurated by Dr. Sailajananda Bharali, DPI, Assam on 6th Ocotober, 1986 amidst great rejoicing. It is a dream of late Probin Kumar Choudhury and the people of the area fulfilled and as such 1986 will remain an important landmark in the history of the College.

**Infrastructure development:**

In 1982, a new Assam type building with floor area of 1176 sft. built at a cost of Rs. 50,000/- was made available to the students as their common room, Reading Room and Union Office. In 1984, two more class rooms, constructed in extension of the existing building covering an area of 2660 sft. at a cost of Rs. 1,07,775/- for accommodation of additional classes with the introduction of the three Year Degree were ceremonially opened by Dr. S. Bharali D.P.I, Assam on October 6, 1986. Simultaneously construction of a girls' Hostel with a grant of Rs. 1,50,000/- received from the state Govt. was undertaken in that year.

Besides academic activities, extra-curricular activities like N.C.C. and N.S.S. were introduced in the College since 1967 and 1976 respectively. The N.S.S. Unit was formally inaugurated on July 24, 1976 with the objectives of

(i) Donating voluntary labour in the horticulture farm of the college.

(ii) Adopting two neighbouring villages for rendering Social Srvice.

(iii) Developing the college campus; and

(iv) Organising Special Camp for social service alone or in collaboration with other sister colleges.

**The two Natural Calamities that wreaked havoc with the college in 1983 and 1991:**

A cyclonic storm on the night of 11th April 1983 had completely blown out the roofs of the main college building causing a damage over Rs. 50,000/-. The repair work was taken up on war-footing and completed in record time.

Another devastating cyclonic storm with heavy down pour of rain and hail-storm, unprecedented in living memory, lashed an area of about ten square kilometers of the surrounding areas of the college on the night of 3rd May 1991 at 7-30 PM. The fury of the cyclonic storm lasted for just half an hour turning the entire area into a sheet of water and ankle –deep hail-snow and knee deep water, snapping electricity connection leveling source of dwelling houses and institutional buildings to the ground and uprooting thousands of fruit and forest trees. Many people were rendered homeless and had to be removed to nearby educational institutions and public buildings for safety and had to be provided with relief .

The college became the worst victim of the cyclonic storm. Three of its building was completely destroyed and other two were partially damaged. The entire library building and major portion of the Administrative Building were levelled to the ground. The roofs of the Science Building along with the ceilings were blown off. The new College Building and the newly constructed Girls' Hostel were partially damaged. Library books, office records, laboratory materials, scientific instruments, almirahs, furniture and equipments were also badly damaged. The impacts of the cyclone was so great the roofs of the buildings were blown off to the nearby paddy fields, villages and forests. Hundreds of campus trees and electric and telegraph posts were uprooted, blocking the NH No. 37 in front of the College and creating traffic jam for scores of loaded trucks carrying timber and coal from Meghalaya for several hours. The total loss of

the college assessed by the Govt. PWD stood at Rs. 13,00,000/- (Rupees thirteen lakhs) approximately.

The news of the extensive damage to the buildings and properties of the college soon spread like wild-fire and streams of people, men, women and childhood from the neighbouring areas started pouring in and continued to come in large numbers for several days. Dignitaries, like V.C., G.U. Dr. N. K. Choudhury, Dr. B. C. Lahkar, Principal ,Guwahati Commerce College and member, EC. The Revenue Commissioner Sri Gangopadhyaya, D.C. Kamrup, Sri M.N. Baruah, Sri R.N. Baruah, Executive Engineer, Ghy West Division and his staff, Dr Arun Kumar Bhuyan, Inspector of Colleges, Assam, The statistical and Information Officer , GU, the Dy. Treasurer GU Sri B. Patowary, Prof. Ashraf Ali , former DPI Assam, Sri Nibaran Bora, veteran leader, Sri Hiranya Kumar Bhattacharya, IPS, Dr. Pabitra Kr. Chaudhury, former APSC member Smti. Narbada Chaudhury, former President, GB of the college visited the college. Their vist to the college was a source of solace to the Principal, the member of the GB, Staff and students. The Guwahati Door Darshan, All India Radio, Guwahati and all the news papers, local & national gave wide coverage to the extensive damage done by the natural calamity

His Excellency, the Governor of Assam, Sri Loknath Misra sanctioned Rs. 20,000/- from the Prime Minister's relief Fund and exerted his good office in convincing the Education Department, Govt. of Assam to release another Rs. 1,00,000/- (Rupees One Lac) . The D.C., Kamrup sanctioned Rs. 20,000/ - to the college for taking up reconstruction and repair work. With the grants received from the sources indicated above, the College authorities took up the repair and reconstruction work in war-footing so as to restore normal functioning of the college in record time.

The college was granted permanent affiliation by Gauhati University in 1989.

Sri Jatindra Chandra Nath, founder Principal of the college, had a uniformly brilliant academic career and earned a reputation as a successful teacher before joining this college as Principal and during the 30 years tenure of his office as Principal became a member of different Bodies of Gauhati University such as a member of Court, Executive Council, Academic Council and Associate Inspector of Colleges under GU. During the period of his service in this college, he made it a full-fledged college having Arts and science faculties with Major and Pass course. Though the science faculty was affiliated to GU in his time, it was brought under deficit Grant in Aid system from 25 March, 1998 after his retirement on 31st May, 1995.

The college celebrated its Silver Jubilee together with Nehru Centenary with a three days programme from 14 to 16 November, 1989 with pomp and grandeur and published a Souvenir contained articles both in Assamese and English contiributed by eminent scholars, teachers and writers like Dr Debo Prasad Barooah, Dr. Devdas Kakati, Prof. (Dr.) K.M. Pathak, Prof. (Dr.) M. Das, Prof. (Dr.) Binay Kumar Tamuli, Prof(Dr) Bhaben M. Das, Dr. Pramod Chandra Bhattacharya, Dr..Prabin Chandra Sarma, veteran writers Sri Satish Chandra Kakati and Sri Lakshydahar Chaudhury besides the Principal, teachers and students of the college and the locality.

**A Period of Stagnancy:**

After the retirement of Principal Nath there followed a period of stagnancy that brought the process of growth and development of the college to a grinding halt. The usual procedure is that the post of Principal is to be advertised three months ahead of the retirement of the incumbent person with information to the DPI and the process of appointment should be completed within the period and the successor should take over charge from the retiring Principal on the due date . But on a solemn assurance of a few important members of the college GB that the process of appointment of a new Principal would be taken up by the GB immediately after his retirement. Principal Nath handed over charge to Sri B. K. Dutta , Vice Principal and senior most member of the teaching staff

on the afternoon of May 31, 1995 . But the assurance was not kept by the G.B. and appointment of a selected Principal was selved indefinitely. As a result, as will be evident from the following list , as many as six persons officiated from 01-06-98 to 25-04-07.

**List of Principals**

Sri B. K. Dutta i/c From 01-06-95 to 31-03-98
Sri S.C. Hazarika from 01-04-98 to 14-07-98
Sri D.K. Barooah i/c from 15-07-98 to 24-08-98
Dr. R. K. Barooah from 25-08-98 to 31-01-06
Sri D.K. Das i/c from 01-02-06 to 28-02-06
Sri L.K. Sarma i/c from 01-03-06 to 25-04-07

Lack of foresight of the Management has not only halted the growth and development of the institution, but also has led to instability. But the joining of the Present incumbent Dr. Nripen Goswami on 26-04-07 as permanent Principal has gradually restored stability and the process of growth and development has been going on smoothly.

**Weakness of the college :**

One of the glaring weakness of the college was low enrolment in Degree Classes especially in Science faculty , for which the college was not eligible for UGC grants for infrastructure development till the end of the twentieth century. Only in February 2007 the college was included in the list of colleges maintained under section 2(f) of the UGC Act 1956 under the head Non. Govt. Colleges teaching up to Bachelors' Degree . Only since February 2007 it has become eligible to receive central Assistance under section 12(b) of the UGC Act. This is why the growth of the college was slow during the first 40 years as adequate funding has been a major problem.

**Present enrolment of staff positions :**

The college which had a humble beginning in 1964 with 60 students on Roll, the enrolment has increased to over 2400 including +2 classes and has radiated smile in the face of the poor and the deprived population of the vast area inhabited by various ethnic groups of tribal's and non tribal's, Hindus, Muslims Christians, Sikhs etc.

The college campus covering an area of 100 bighas of land on the northern side of N.H-37, 2 KM west of Boko P.S is away from the din and bustle of the town and has scenic beauty full of peace and tranquillity so essential to an educational institution. In addition to what has been given in the foregoing account new constructions have come up, built with the grants received from the U.G.C. and the state Govt. including a three storied R.C.C. Administrative building, housing the well furnished Principal's Chamber, Vice Principal's Chamber, College Office, the College Library (on the first floor) and the digital conference Hall. A mini- stadium donated by Rabha Hasong Automous Concil, newly constructed Girls' Hostel ( to be opened soon) a swimming Pool and an Indoor stadium (With UGC grants) under construction, the Botanical Garden and the Rubber Plantation in about 30 acres of College land have added to the beauty of the sprawling campus.

**Staff Position:**

There are at Present 14 Departments in the college, 9 in Arts Stream and 5 in Science stream and 44 teachers on permanent basis against sanctioned posts and 19 teachers appointed on contractual basis maintained by the college out of its own resources . The office and library staff has 19 permanent members and 10 appointed on contractual basis.

In order to identify the strengths and weaknesses, the college invited the NAAC and got itself accredited in 2004. During its first visit the NAAC peer team pointed out the advantages and failings of the college, commended and recommended their observations and the college authorities have tried their best to remove the short coming . In the first visit , the peer team assessed and accredited the college and awarded C++ grade.

The NAAC peer team consisting Prof. J. Shashidhara Prasad, Vice- Chancellor, Sri Sathya Sai Institute of Higher Learning Vidya Giri, Prasnati Nilayam, AP, as chairperson, Prof. (Dr.) K.B. Kumar, Member coordinator, Dean, Faculty of Psychology, S. Academy, Secenderabad and Dr. Deepak

Karkwn, Principal , Govt. VYTPG Autonomous College, Chhattisgarh, visited our college from 5th to 7th May, 2014 and assessed and accredited our college. They met the Governing Body Members including the Principal and the President, Members of the teaching and non-teaching staff, the Alumni and the students of the college and expressed satisfaction on the hospitality and the working of the college and has awarded B Grade to the college in their assessment and accreditation.

It is in a nutshell, the story of Jawaharlal Nehru college at Boko in its 50(fifty) years of existence. I arrived at Boko one year after the birth of this bonny baby to take care of it as its Principal caretaker for 30 years as it grew from its teaching troubles of childhood, through the turbulence of adolescence upto its joyful youth of thirty years of age. After departure and separation in 1995 from Jawaharlal Nehru College, again I had the good fortune to be associated with this institution which I built with my life blood as Gauhati University representative to the Governing Body from 2001 to 2009 and then as the President of the Governing Body nominated by the Government of Assem. A owe a debt of gratitude to the authorities of Gauhati University and the Govt. of Assam for giving me the honour to be associated with this dear great institution of Higher Education which has been radiating smiles in the area for the past half a century . It is sheer luck and grace of the Almighty to be associated with an institution for 44 years and to survive to see the its celebration of Golden Jubilee.

I thankfully pay my homage to the memory of Late Probin Kumar Chaudhury, Late Achyut Kanta Adhikary and late Janardan Sarma for bringing me to Boko and giving me the opportunity to serve J.N.C and the people of Boko for supporting and helping me all these years in discharging my duties.

**Long Live Jawaharlal Nehru College.**

# তেওঁলোক নৈৰে নাথাকিল এই ছবি চাবলৈ

বসন্ত কুমাৰ দত্ত
প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ
জৱাহৰলাল নেহৰু মহাবিদ্যালয় বকো

আজি আমি যি ভূমিখণ্ডত সমবেত হৈছোঁ, দূৰ অতীতত সম্ভৱতঃ ইয়াত এখন অটব্য অৰণ্য আছিল। মাটিলৈ নামি আহিবলৈ সূৰ্যৰ পোহৰেও হয়তো সংগ্ৰাম কৰিবলগীয়া হৈছিল। প্ৰাকৃতিক প্ৰভাৱতেই হওঁক অথবা অন্যান্য কাৰণতেই হওঁক, সেই গভীৰ অৰণ্যই ৰূপ সলালে। ক্ৰমে ক্ৰমে জীৱ-জন্তুৰ বিচৰণ থলী অৰণ্য গুচি বন-বিৰিণাৰে চৰণীয়া পথাৰ হ'ল। আশে-পাশে গঢ়ি উঠিল মানুহৰ বসতিৰে গাঁও-ভূঁই। পথে পোৱালি মেলিলে। সময়ৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই এচাম দূৰদৃষ্টি সম্পন্ন উদ্যমী লোকে এই অঞ্চলৰ ৰাইজৰ অকুণ্ঠ সহযোগত এই ঠাইতে বোধি-বৃক্ষৰ পুলি এটি ৰোপণ কৰিলে। ৰাইজৰ আদৰ-আপডালত দুৰ্বল পুলিটোৱে ঠন ধৰি উঠিবলৈ ল'লে। শিপাই মাটিৰ গভীৰলৈ গতি কৰিলে। ন-ন ডাল-পাতেৰে, ফল-ফুলেৰে নিজকে সজাই-পৰাই তুলি বিস্তৃতি লভি অব্যাহত ৰাখিলে তাৰ আকাশমুখী অভিযান। প্ৰাকৃতিক দুৰ্যোগ কিম্বা আন আহুকালত পৰি কোনো কোনো সময়ত বিধ্বস্ত হৈছে। ডাল-পাত চিঙি গৈছে কিন্তু মূল শিপাৰে উভালি পৰা নাই। নিৰ্বিকাৰভাৱে থিয় হৈ আছে। নিৰ্বিকাৰভাৱে থিয় হৈ আছে। চামে চামে তাৰ সান্নিধ্যলৈ অহা পোহৰ-প্ৰয়াসীসকলক ছাঁ দিছে, বা দিছে আৰু ৰঙীণ ফুলৰ সৌৰভেৰে সুৰভিত কৰি আহিছে। তাৰ সুমিষ্ট ৰসাল ফলবোৰ ক্ষুধাতুৰৰ মুখত অমৃত হৈ পৰিছে। উৰ্বৰা কৰিছে মন-মগজু।

হয়, এই প্ৰতিকী কথাখিনিৰে এটি জ্ঞান-মন্দিৰৰ কথাকেই ক'ব খোজা হৈছে, যাৰ পোছাকী নাম জৱাহৰলাল নেহৰু মহাবিদ্যালয়। চীনা ভাষাত কোৱা হয়, 'এহেজাৰ মাইলৰ যাত্ৰা এটা খোজেৰে আৰম্ভ হয়।' এই জ্ঞান-মন্দিৰটোৱেও এদিন তাৰ অনন্য অনন্ত যাত্ৰাৰ প্ৰথম খোজটো দিছিল। খোজটো দিছিল ১৯৬৪ চনৰ ৩ আগষ্ট তাৰিখে। উল্লেখৰ প্ৰয়োজন যে ইয়াৰ আগতে এই চনৰে কোনোবা এটা দিনত (সঠিক তাৰিখৰ তথ্য পোৱা হোৱা নাই মহাবিদ্যালয়ৰ প্ৰস্তুতি কমিটিৰ সভাপতি, সম্পাদক ক্ৰমে বকো বিধান সভা সমষ্টিৰ বিধায়ক তথা অসমৰ পৰিবহন মন্ত্ৰী প্ৰবীন কুমাৰ চৌধুৰী, অচ্যুত কান্ত অধিকাৰী, সহকাৰী সম্পাদকদ্বয় জনাৰ্দন শৰ্মা আৰু বিভাষ কুমাৰ চন্দ্ৰ ভদ্ৰৰ উদ্যোগত সেই সময়ৰ অসমৰ শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাই অঞ্চলবাসী ৰাইজৰ অফুৰন্ত উৎসাহ-উদ্দীপনা আৰু হৰ্ষধ্বনিৰ মাজত বৰ্তমানৰ ঠাইত মহাবিদ্যালয় গৃহৰ আধাৰত-শিলা স্থাপন কৰিছিল। মহাবিদ্যালয়ৰ অসমীয়া বিষয়ৰ প্ৰৱক্তাৰ পদত যোগদান কৰাৰ কেইদিনমান পিছত সহকৰ্মী অৰ্থনীতি বিজ্ঞান বিভাগৰ প্ৰৱক্তা শৰৎ চন্দ্ৰ তালুকদাৰদেৱে আধাৰ-শিলাৰ স্থানখিনি দেখুৱাইছিল। সম্প্ৰতিক কালৰ আধাৰশিলাৰ যি ছবি দেখিবলৈ যায়, তেনে ছবিৰ চিন সেই আধাৰ-শিলাত নাছিল। আধাৰশিলাৰ নামত দেখিছিলোঁ বন-লতাৰ মাজত দুই-আঢ়ৈ ফুটমান গভীৰ আৰু তিনি-চাৰি ফুটমান ব্যাসাৰ্ধৰ এটি গাঁত। গাঁতৰ মাজত আছিল শিল-বালি-চিমেণ্ট গাঁঠি থোৱা কেইটামান ইটা। এতিয়া ইয়াৰ চিন-মোকাম নাই। মহাবিদ্যালয়ৰ বৰ্তমানৰ প্ৰেক্ষাগৃহ থকা ঠাইতে এই আধাৰ-শিলাৰ স্থান আছিল যেন লাগে। আধাৰ-শিলা স্থাপনৰ দিনটোতে শিক্ষানুষ্ঠানখন স্বাধীন ভাৰতবৰ্ষৰ প্ৰথম গৰাকী প্ৰধানমন্ত্ৰী প্ৰয়াত জৱাহৰলাল নেহৰুৰ নামেৰে নামকৰণ কৰা হয়। ইয়াৰ আগলৈকে নামটো আছিল বকো মহাবিদ্যালয়।

যি ধৰণে নহওঁক কিয়, ১৯৬৪ চনৰ জুলাই মাহত আধাৰ-শিলা স্থাপন কৰা হ'ল যদিও ১৯৬৬ চনতহে মহাবিদ্যালয়খনত স্থায়ী গৃহ নিৰ্মাণৰ কাম হাতত লোৱা হয় আৰু ১৯৬৭ চনৰ ১৩ আগষ্ট তাৰিখে বকো হাইস্কুলত চলি থকা নৈশ শ্ৰেণীসমূহ স্থায়ী স্থানৰ নৱনিৰ্মিত গৃহলৈ স্থানান্তৰিত

কৰা হয়। বৰ্তমানৰ অসম আৰ্হিৰ বিজ্ঞান ভৱনটোৱে হ'ল জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ নিজস্ব প্ৰথম স্থায়ী ভৱন। আচলতে ভৱনটো ভৱিষ্যতে ছাত্ৰাবাস কৰাৰ উদ্দেশ্য আগত ৰাখি নিৰ্মাণ কৰা হৈছিল। মহাবিদ্যালয়ৰ নতুন ভৱন নিৰ্মাণ হোৱাৰ পিছত কিছুদিনৰ বাবে ছাত্ৰাবাস ৰূপেও ব্যৱহাৰ কৰা হৈছিল। পৰৱৰ্তী পৰ্যায়ত এই ভৱনটোৰ দুই মূৰত নতুনকৈ দুটা আহল-বহল কোঠা সংযোজিত কৰা হয়। ইয়াৰে এমূৰৰ কোঠা এটি শ্ৰীভূৱনেশ্বৰী বৈশ্য বাইদেৱে তেখেতৰ প্ৰয়াত পিতৃ কলপ্লনাৰায়ণ মজুমদাৰৰ সোঁৱৰণত নিজৰ ধনেৰে সাজি দিছে। এসময়ৰ এই নতুন ভৱনটো পুৰণি হৈ আহিছে। হয়তো ই এদিন ঐতিহ্যৰ স্মৃতি চিহ্ন হৈ ৰ'বগৈ।

১৯৬৪ চনৰ ৩ আগষ্ট তাৰিখে বকো হাইস্কুলৰ এটি কোঠাত প্ৰাক্‌বিশ্ববিদ্যালয়ৰ প্ৰথম বাৰ্ষিকৰ শ্ৰেণীত প্ৰথমটো পাঠদান কৰিবলৈ গৈ হাজিৰা বহীত ষাঠি গৰাকী ছাত্ৰ-ছাত্ৰীৰ নাম দেখিবলৈ পালোঁ। ছাত্ৰী এগৰাকীহে। নাম মঞ্জু ভদ্ৰ। নামটোহে পালোঁ। শ্ৰেণীত উপস্থিত থকা কোনোদিনেই নেদেখিলোঁ। নিশাৰ ভাগত শ্ৰেণীবোৰ অনুষ্ঠিত হোৱাৰ বাবেই হয়তো তেওঁ শ্ৰেণীকোঠাত উপস্থিত থকা নাছিল। সেয়া যিয়েই নহওক, তেওঁৰ নামটোৱে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধিত সহায় কৰিছিল। দেখিছিলোঁ শ্ৰেণীত উপস্থিত থকা ছাত্ৰসকলৰ সৰহ সংখ্যকেই আমাতকৈ বয়সত জ্যেষ্ঠ। পিছত জানিব পাৰিছিলোঁ এওঁলোকৰ মাজৰ তেৰ গৰাকীহে নিয়মীয়া ছাত্ৰ আৰু বাকীসকল আছিল বিভিন্ন শিক্ষানুষ্ঠান আৰু চৰকাৰী কাৰ্যায়ত কাম কৰি থকা শিক্ষক, কৰ্মচাৰী। আশংকা হৈছিল এখন শিক্ষানুষ্ঠানৰ মূল চালিকা শক্তি প্ৰয়োজনীয় ছাত্ৰ-ছাত্ৰী অবিহনে মহাবিদ্যালয়খন বৰ্তি থাকবিনে। বৰ্তমান মহাবিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ ভিৰ দেখি ভাব হৈছে আমাৰ আশংকা অমূলক আছিল।

তাকৰীয়া ছাত্ৰ-ছাত্ৰীৰ লেখীয়াকৈ শিক্ষক-কৰ্মচাৰীৰ সংখ্যাও আছিল অতি তাকৰ। মহাবিদ্যালয়খনত সীমিত সংখ্যক বিষয়হে সেই সময়ত প্ৰচলন কৰা হৈছিল। বিষয়বোৰ আছিল ইংৰাজী, অসমীয়া, অৰ্থনীতিবিজ্ঞান, ইতিহাস আৰু ৰাজনীতি বিজ্ঞান। তৰ্কশাস্ত্ৰ বিষয়টোকো অন্তৰ্ভুক্ত কৰা হৈছিল যদিও শেষত ইয়াক বাদ দিয়া হৈছিল। এগৰাকী স্থায়ী অধ্যক্ষৰ অনুপস্থিতিত মহাবিদ্যালয়ৰ প্ৰস্তুতি কমিটিৰ সচিব শ্ৰীঅচ্যুত কান্ত অধিকাৰীদেৱে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচপে কাৰ্যনিৰ্বাহ কৰিছিল। আৰম্ভণিৰ সময়ছোৱাত প্ৰাৰ্থীৰ অভাৱত ইংৰাজী বিষয় শিক্ষক নিয়োগ কৰিব পৰা হোৱা নাছিল। বসন্ত কুমাৰ দত্ত, শৰৎ চন্দ্ৰ তালুকদাৰ, মহেন্দ্ৰ নাথ দাসে যথাক্ৰমে অসমীয়া, অৰ্থনীতি বিজ্ঞান আৰু ইতিহাস বিষয়ৰ শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তালুকদাৰ আৰু দাস বকো হাইস্কুলৰ শিক্ষক আছিল। বকো হাইস্কুলৰে স্নাতকোত্তৰ উপাধিধাৰী সহকাৰী শিক্ষক নিৰ্মল চক্ৰৱৰ্তীক ৰাজনীতি বিজ্ঞান বিষয়ৰ শিক্ষক ৰূপে নিযুক্তি দিছিল যদিও তেওঁ ইয়াত যোগদান নকৰি নগাঁও চহৰৰ কোনোবা এখন মহাবিদ্যালয়ত যোগদান কৰিছিলগৈ। এওঁৰ ঠাইত যোগদান কৰা শংকৰ দাসে কম দিনৰ ভিতৰতে বৰপেটা এম.চি. কলেজলৈ গ'ল। আহিল মদন চৌধুৰী। তেৰোঁ গুচি গ'ল ১৯৬৫ চনত ডিগবৈত আৰম্ভ কৰা মহাবিদ্যালয়খনলৈ। ইংৰাজী বিষয়ৰ শিক্ষক ৰূপে বিহাৰৰ শিৱকান্ত মল্লিকক নিযুক্তি দিয়া হৈছিল। তেৰোঁ বেছি দিন নাথাকিল। আংশিকভাৱে অস্থিৰ পৰিৱেশ কিছুদিনলৈ চলিয়ে থাকিল। ইংৰাজী শিক্ষকৰ অবৰ্তমানত অচ্যুতকান্ত অধিকাৰী চাৰ আৰু শৰৎ চন্দ্ৰ তালুকদাৰে সময়িকভাৱে ইংৰাজী বিষয়ৰ পাঠদান কৰি পাঠ্যক্ৰম আগবঢ়াই নিছিল। ১৯৬৫ চনৰ ১চেপ্তেম্বৰত শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথদেৱে মহাবিদ্যালয়ৰ স্থায়ী অধ্যক্ষ ৰূপে যোগদান কৰাত ইংৰাজী বিষয়ত চলি থকা অসুবিধাবোৰ আঁতৰিল। কাৰ্যালয় সহায়কৰ আৰু তৃতীয় শ্ৰেণীৰ কৰ্মচাৰীৰ কামখিনি ক্ৰমে প্ৰণৱ দাস আৰু যাদৱ কলিতাই চম্ভালিছিল। তেওঁলোক বকো হাইস্কুলৰ কাৰ্মচাৰী আছিল। সেই সময়ত বকোত বিদ্যুৎ চাকিৰ পোহৰৰ ব্যৱস্থা নাছিল। পেট্ৰোমাক্স লাইটৰ পোহৰত শ্ৰেণী কোঠাকে ধৰি কাৰ্যালয়ৰ কাম চলাবলগীয়া হৈছিল। থাকিবলগীয়া বহুত ব্যৱস্থাই নাছিল। মহাবিদ্যালয়খনৰ সাম্প্ৰতিক পৰিৱেশ-পৰিস্থিতিৰ তুলনাত সকলো ব্যৱস্থাই দুখলগাকৈ নিঃকিন। প্ৰতিকূল পৰিস্থিতিৰ মাজেৰে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ, শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়িব লগা হৈছিল। আজিৰ চামৰ কথা নকওঁৱেই, তাহানিৰ কথাবোৰ আমাৰ নিজৰেই দেখোন কল্পলোকৰ কাহিনী যেন লাগিছে। মহাবিদ্যালয়খনৰ ক্ষীপ্ৰ প্ৰগতি আমাৰ বাবে আনন্দ আৰু গৌৰৱৰ বিষয়। পুৰণি চকুত যেনেই লাগিছে এই প্ৰগতি।

পলকতে পাৰ হৈ গ'ল পঞ্চাশটা বছৰ। এই উপলক্ষ্যত মহাবিদ্যালয়ৰ বৰ্তমানৰ পৰিয়াল, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী, অঞ্চলবাসী ৰাইজে অতি আগ্ৰহেৰে সোণালী জয়ন্তী উৎসৱৰ উদ্‌যাপনৰ আয়োজন কৰিছে। ইয়াৰ অতীত আৰু বৰ্তমানৰ বিষয়ে বিচাৰ-বিশ্লেষণ কৰি খতিয়ান ল'ব বিচাৰিছে। অকল এয়াই নহয়, ভৱিষ্যতৰ কথাও ভাবিব খুজিছে।

স্বাভাৱিকভাৱেই এই উছৱৰ উখল-মাখলত মনত পৰিছে এখিনি স্বপ্নদ্ৰষ্টালৈ। ওহো! স্বপ্নদ্ৰষ্টালৈ নহয়। মনত পৰিছে বাস্তৱদ্ৰষ্টালৈ। মনৰ মাজত অগা-ডেৱা কৰিছে তেওঁলোকৰ অক্লিষ্ট মুখৰ সুদূৰ-প্ৰসাৰী উজ্জ্বল চকুবোৰে। অনেকজন নিৰলে

নিৰৱে হেৰাই গ'ল কালৰ বুকুত। বৰ বেজাৰৰ কথা। বহু কথাই বিস্মৃতিৰ বুকুত বিলীন হৈ গৈছে। বিক্ষিপ্তভাৱে কিছু কথা মনত আছে। কিছু সংখ্যকৰ নাম মনত আছে। বহুতৰ নাই । প্ৰয়োজন আছিল নামবোৰ লোৱাৰ। নিৰ্ভৰযোগ্য তথ্যৰ অভাৱত লোৱা নহ'ল। লোৱা নহ'ল কাৰোবাৰ নাম বাদ পৰি যোৱাৰ ভয়ত। লোকে দুষিব পাৰে পক্ষপাত কৰা বুলি। আমাৰ মনত নপৰা নামবোৰ মহাবিদ্যালয়ৰ স্থানান্তৰত থাকিব পাৰে বুলিও ভাবিব পৰা নাই। অনুষ্ঠানটোৰ প্ৰাৰম্ভিক কালৰ কাৰ্যপ্ৰণালীৰ লিপিবদ্ধ ৰূপ আছিল যদিও আজি পাবলৈ নাই। সংৰক্ষণৰ চেষ্টা কৰা নহ'ল যেন লাগে। এনে কাৰণতে শিক্ষানুষ্ঠানখনৰ অতীত ইতিহাস সম্যক ৰূপত বিচাৰ-বিশ্লেষণ কৰিবলৈ লওঁতে আহুকালত পৰিব লগীয়া হয়। অনুমানৰ ওপৰত ভিত্তি কৰি বিচাৰ কৰিবলৈ গ'লে ইতিহাসৰ সত্য বিকৃত হোৱাৰ সম্ভাৱনা থাকে। ইতিহাস সদায় তথ্য আৰু যুক্তিৰ ওপৰত নিৰ্ভৰশীল। ভৱিষ্যতৰ বাবে বৰ্তমানৰ প্ৰজন্ম সতৰ্ক হ'ব লাগিব।

উছৱৰ এই বৰ্ণাঢ্য আয়োজনত শিক্ষাৰ প্ৰতি উৎসৰ্গীকৃত সেইসকলক লগ পোৱা হ'লে কিমান যে ভাল লাগিলহেঁতেন। কিমান যে ভাল লাগিল হেঁতেন তৃপ্তিৰে ভৰা মুখৰ হাঁহিবোৰ চাবলৈ। অলেখ আশাৰে ৰোপণ কৰা জ্ঞানবৃক্ষৰ পুলিটিয়ে লহপহকৈ বাঢ়ি আকাশ চুব খুজিছে, সেই ছবি চাবলৈ তেওঁলোক নৈ নাথাকিল। তথাপি নেদেখিও দেখিছোঁ দেখোন বিমুগ্ধ বিমল ছবি উছৱৰ ওলাহত। শুনিছোঁ উছাহৰ পদধ্বনি সোণালীৰে সমৃদ্ধ শুভ সবাহত। দেখিছোঁ প্ৰত্যাশা পূৰণৰ যাত্ৰা পথত নিগৰা আনন্দৰ চকুপানী।

পৰিবেশত শ্ৰদ্ধা আৰু বিশ্বাসেৰে ক'ব খুজিছোঁ, প্ৰজন্মৰ পিচত প্ৰজন্মৰ বাবে প্ৰেৰণাৰ অম্লান উৎস হৈ থাকিব কৃতবিদ্য তেওঁলোক। অনুভৱত উজলি থাকিব তেওঁলোকৰ অস্তিত্ব চিৰদিন-চিৰকাল। ◎ ◎ ◎

*'জীৱনত ধন ঘটাটোৱেই একমাত্ৰ কাম্য হ'ব নোৱাৰে। মানুহ হৈ থাকিব পৰাটোহে আচল কথা। নিজে কিমান সুখ-সুবিধা আহৰণ কৰিব পাৰি নাইবা কিমান ওপৰলৈ উন্নতিৰ জখলাত বগাব পাৰি সেইটোৰ চিন্তাত থকাতকৈ জ্ঞানৰ বাবে কিমানখিনি কৰিব পৰা যায় তাৰ চিন্তাহে কৰিব লাগে।'*

*- সৰ্বপল্লী ৰাধাকৃষ্ণণ*

# জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা আৰু কৰ্মৰত অৱস্থাত স্বৰ্গগামী হোৱা শিক্ষক-কৰ্মচাৰীবৃন্দ

লক্ষীকান্ত শৰ্মা
প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

জ্ঞানৰ আলোক বিলাই এবছৰ-দুবছৰ কৰি সময়ৰ গতিত আগবাঢ়ি আহি আজি বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে সোণালী জয়ন্তী বৰ্ষ নামৰ সীমাৰেখাত উপনীত হৈ সোণালী জয়ন্তীৰ সোণালী আভাৰ সাজযোৰ পৰিধান কৰি ন-ৰূপেৰে সাজি-কাঁচি পুনৰ আগবাঢ়িছে অবিৰাম যাত্ৰাপথত। সোণালী জয়ন্তীবৰ্ষৰ সোণালী আভাই আলোকিত কৰা এই মহাবিদ্যালয়ত সেৱা আগবঢ়োৱা অধ্যক্ষ প্ৰমুখ্যেভালে কেইগৰাকী শিক্ষক তথা কৰ্মচাৰীয়ে ইতিমধ্যে এই মহাবিদ্যালয়ত কৰ্মজীৱনৰ সামৰণি মাৰি এক অৱসৰৰ জীৱন-যাপন কৰি আছে। ভালে কেইগৰাকী আকৌ কৰ্মৰত অৱস্থাতে অথবা অৱসৰ গ্ৰহণৰ কিছু কালৰ ভিতৰতে এই পৃথিৱীৰ পৰাই চিৰদিনৰ বাবে মেলানি মাগিছে। ইয়াৰ উপৰিও মহাবিদ্যালয়খনক আগবঢ়াই নিয়াত অৰিহণা যোগোৱা আৰু এচাম শিক্ষক-কৰ্মচাৰী আছিল যি সকলে এই মহাবিদ্যালয়ত এটা সময়ত সেৱা আগবঢ়াই পৰৱৰ্ত্তী সময়ত অন্য স্থানলৈ গুচি গৈছে। সোণালী জয়ন্তী উৎসৱৰ এই পৱিত্ৰ মুহূৰ্তত আমি আটাইকে স্মৰণ কৰাৰ লগতে আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। অৱশ্যে এই লেখাটিত বৰ্তমান কেৱল এই মহাবিদ্যালয়ত সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰা তথা এই মহাবিদ্যালয়ত কৰ্মৰত অৱস্থাত থাকোতে মৃত্যু হোৱা শিক্ষক কৰ্মচাৰী সকলৰহে কিঞ্চিৎ পৰিচয় দাঙি ধৰাৰ যত্ন কৰা হৈছে। আলোচনাৰ সুবিধাৰ্থে অৱসৰ গ্ৰহণ কৰা ক্ৰম অনুসৰি অৱসৰী অধ্যক্ষ, অধ্যাপক তথা কৰ্মচাৰী সকলৰ বিষয়ে উল্লেখ কৰা হৈছে আৰু শেষত কৰ্মৰত অৱস্থাতে মৃত্যুবৰণ কৰা অধ্যাপক -কৰ্মচাৰী সকলৰ বিষয়ে উল্লেখ কৰা হৈছে। অৱসৰী সকলৰ বিষয়ে কওঁতে আমি এটা কথা উল্লেখ কৰিব পাৰোঁ যে মহাবিদ্যালয়খনৰ জন্মলগ্নৰ প্ৰায় ৩০বছৰৰ পিচৰ পৰাহে অৱসৰ গ্ৰহণৰ পৰ্ব আৰম্ভ হৈছিল। পুৰণা চাম শিক্ষক-কৰ্মচাৰীয়ে চৰকাৰৰ চাকৰি বিধি মৰ্মে নৱৈৰ দশকৰ প্ৰায় মাজভাগৰ পৰাহে এজন-দুজনকৈ অৱসৰ গ্ৰহণ কৰিবলৈ লৈছিল আৰু বৰ্তমান প্ৰায় এক চমু বিৰতিৰ অন্তৰে-অন্তৰে শিক্ষক-কৰ্মচাৰীসকলে অৱসৰ গ্ৰহণ কৰি আছে। ১৯৬৪ খৃঃত জৱাহৰলাল নেহৰু মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ পৰা ২০১৪ খৃঃলৈ অৰ্থাৎ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ প্ৰাক্ক্ষনলৈকে এই মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা শিক্ষক-কৰ্মচাৰী সকল হ'ল ক্ৰমে-

**প্ৰয়াত শৰৎ চন্দ্ৰ তালুকদাৰ ঃ**

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা প্ৰথম গৰাকী ব্যক্তি তথা অধ্যাপক আছিল অৰ্থবিজ্ঞান বিষয়ৰ মুৰব্বী অধ্যাপক প্ৰয়াত শৰৎ চন্দ্ৰ তালুকদাৰদেৱ। তাহানিৰ দিনত বকোত এখন মহাবিদ্যালয় স্থাপন কৰাটো অতি দুৰূহ কাম আছিল। তাতোকৈ দুৰূহ আছিল মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ চলাই নিয়াৰ কাৰণে প্ৰয়োজনীয় অধ্যাপক -অধ্যাপিকাক বিচাৰি পোৱাটো। প্ৰয়াত তালুকদাৰদেৱে সেইসময়ত বকো হাইস্কুলত শিক্ষকতা কৰি আছিল। অৰ্থবিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰীধাৰী

তালুকদাৰদেৱে পোন-প্ৰথমে এই মহাবিদ্যালয়ত অংশকালীন অধ্যাপক হিচাপে যোগদান কৰিছিল। পৰৱৰ্ত্তী সময়ত তেখেতে পূৰ্ণপৰ্যায়ৰ অধ্যাপক হিচাপে যোগদান কৰিছিল। আৰম্ভণিৰ সময়ছোৱাত মহাবিদ্যালয়ত কেৱল নৈশ শাখাৰ শ্ৰেণীহে খুলিছিল আৰু বকো হাইস্কুলতে মহাবিদ্যালয়ৰ নিশাৰ শ্ৰেণীসমূহ লোৱা হৈছিল। বকো হাইস্কুলত দিনৰ ভাগত নিজৰ কৰ্ত্তব্য সমাপন কৰি তালুকদাৰদেৱে নিশা মহাবিদ্যালয়ত নিজৰ বিষয়ত পাঠদান কৰাৰ লগতে মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ যাৱতীয় কাম-কাজবোৰ কৰি দি মহাবিদ্যালয়খনৰ তেতিয়াৰ সচিবৰ দায়িত্বত থকা বকো হাইস্কুলৰ তদানীন্তন প্ৰধান শিক্ষক প্ৰয়াত অচ্যুত কান্ত অধিকাৰীদেৱক পাৰ্যমানে সহায় আৰু সহযোগ কৰিছিল। এইখিনিতে প্ৰয়াত অধিকাৰীদেৱৰ বিষয়ে যৎকিঞ্চিৎ উল্লেখ কৰাটো উচিত হ'ব। বকো অঞ্চলৰ এগৰাকী বৰেণ্য শিক্ষাবিদ তথা দিগ্-দৰ্শক হিচাপে পৰিচিত অধিকাৰী চাৰ আছিল বকো হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক তথা ছমৰীয়া সত্ৰৰ সত্ৰাধিকাৰ। বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ এগৰাকী অন্যতম প্ৰতিষ্ঠাপক হিচাপে তেখেতে এই মহাবিদ্যালয়খন গঢ়ি তোলাত অনবদ্য বৰঙণি যোগোৱাৰ লগতে এগৰাকী স্থায়ী অধ্যক্ষ নিযুক্ত নোহোৱালৈকে মহাবিদ্যালয়ৰ সচিবৰ দায়িত্ব পালন কৰাৰ উপৰিও অংশকালীন তত্ত্বাৱধায়ক হিচাপে অধ্যক্ষৰ কামখিনিও চম্ভালিছিল। আৰম্ভণিৰ এই সময়খিনিত অধিকাৰীদেৱৰ লগত থাকি প্ৰয়াত তালুকদাৰদেৱে মহাবিদ্যালয়খন প্ৰতিষ্ঠাত আগবঢ়োৱা আৰিহণা বৰ কম নাছিল। প্ৰয়াত তালুকদাৰদেৱে অৱসৰৰ দিনলৈকে নিজৰ পৱিত্ৰ কৰ্ত্তব্য পাঠদান কাৰ্য নিয়াৰিকৈ সম্পাদন কৰাৰ লগতে মহাবিদ্যালয়ৰ অন্যান্য কাম-কাজবোৰতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তদুপৰি বকো অঞ্চলৰ সামাজিক তথা সাংস্কৃতিক ক্ষেত্ৰখনৰ লগতো তেখেত জড়িত আছিল। বিশেষকৈ নাটক আদিত অভিনয় কৰি তেখেতে দৰ্শক তথা ৰাইজৰ পৰা প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। এগৰাকী কৃতী অধ্যাপক তথা সৰ্ববৰহী ব্যক্তি হিচাপে পৰিচিত তালুকদাৰদেৱে ১৯৯৫ খৃঃ ৰ এপ্ৰিল মাহত অৱসৰ গ্ৰহণ কৰিছিল। অৱসৰ গ্ৰহণৰ পিচত তেখেতে গুৱাহাটীত বসবাস কৰিবলৈ লৈছিল। কিন্তু আমাৰ কাৰণে বেদনাদায়ক যে ২০১২ খৃঃৰ ১১চেপ্তেম্বৰ তাৰিখে তেখেতে আমাক এৰি চিৰদিনৰ বাবে গুচি যায়।

**অধ্যক্ষ শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথ ঃ**

জৱাহৰলাল নেহৰু মহাবিদ্যালয় (বকো)ত নিযুক্তি লাভ কৰা প্ৰথম গৰাকী স্থায়ী অধ্যক্ষ আছিল শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ। তাহানিৰ দিনতে মেট্ৰিকুলেচন পৰীক্ষাত পঞ্চম স্থান আৰু আই. এ. পৰীক্ষাত চতুৰ্থ স্থান লাভ কৰি কৃতিত্ব দেখুৱাবলৈ সক্ষম হোৱা শ্ৰীযুত নাথদেৱে ইয়াৰ পিচত বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত এম. এ. ডিগ্ৰী লাভ কৰিছিল। এম.এ.ডিগ্ৰী লাভ কৰাৰ পিচত তেখেতে অধ্যাপক হিচাপে ধুবুৰীৰ বি.এন.মহাবিদ্যালয়ত চাকৰি জীৱনৰ প্ৰথম পাতনি মেলিছিল। কিন্তু অলপ দিনৰ ভিতৰতে তেখেতে গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ত যোগদান কৰিছিলহি। প্ৰাগজ্যোতিষ মহাবিদ্যালয়তো কিন্তু তেখেত বেছিদিন থাকিব লগীয়া নহৈছিল। কিছুদিনৰ পিচতে তেখেতে অসমৰ অন্যতম মহাবিদ্যালয় হিচাপে পৰিচিত কটন মহাবিদ্যালয়ত যোগদান কৰিছিল। কিন্তু দৈৱৰ বিচিত্ৰ বিধান! এক বৰ্ণময় কেৰিয়াৰ গঢ়াৰ সুবৰ্ণ সুযোগ থকা কটন মহাবিদ্যালয়ৰ দৰে মহাবিদ্যালয়ৰ অতি লোভনীয় তথা নামী-দামী চৰকাৰী চাকৰি বিসৰ্জন দি তেখেতে তেতিয়াৰ বকোৰ নিচিনা পিচপৰা ঠাই এখনত প্ৰতিষ্ঠা কৰা অতি চালুকীয়া তথা চৰকাৰী সাহাৰ্যবিহীন মাহবিদ্যালয় বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত আহি অধ্যক্ষ হিচাপে যোগদান কৰিছিলহি। বৰ্তমান সময়ত এনে বিৰল সাহস দেখুৱাব পৰা লোক নিশ্চয় অতি কমহে ওলাব। ১৯৬৫ খৃঃৰ ১ চেপ্তেম্বৰত যোগদান কৰাৰ পৰা ১৯৯৫খৃঃৰ মে মাহত অৱসৰ গ্ৰহণ কৰালৈকে এক দীঘলীয়া সময় অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰা শ্ৰীযুত নাথদেৱে মহাবিদ্যালয়খনৰ সৰ্বাংগীন বিকাশ সাধনৰ কামত আত্মনিয়োগ কৰিছিল। মহাবিদ্যালয় এখন গঢ়িতোলাৰ ক্ষেত্ৰত সমুখত আহিপৰা বাধা-বিঘিনি সমূহ মোকাবিলা কৰাত অধ্যক্ষ বিচাপে তেখেতে অতি সাহস আৰু দৃঢ়তাৰ পৰিচয় দিছিল। মহাবিদ্যালয়ৰ সমস্ত প্ৰশাসন ব্যৱস্থা নিয়াৰিকৈ পৰিচালনা কৰিযোৱাৰ লগে লগে তেখেতে এক দীঘলীয়া সময়ৰ কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কোৰ্ট আৰু কাৰ্যনিৰ্বাহক পৰিষদৰ সদস্য হিচাপে থাকি বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় ক্ষেত্ৰখনতো জড়িত হৈ পৰিছিল। তেখেতৰ নেতৃত্বত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয় সমূহৰ মাজত এখন সন্মানজনক আসন লাভ কৰিবলৈ সক্ষম হৈছিল। অৱসৰ গ্ৰহণৰ পিচতো তেখেত কেবাবাৰো এই মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। বৰ্তমান তেখেতে এই মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

**শ্ৰীবসন্ত কুমাৰ দত্তঃ**

জবাহৰলাল নেহৰু মহাবিদ্যালয় (বকো)ৰ এগৰাকী অন্যতম প্ৰতিষ্ঠাপক অধ্যাপক আছিল শ্ৰীবসন্ত কুমাৰ দত্তদেৱ। তেখেতে ইং ১-৮-৬৪ তাৰিখে অসমীয়া বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰিছিল। এক সুদীৰ্ঘ কালৰ অন্তত মহাবিদ্যালয়ত উপাধ্যক্ষৰ পদটি সৃষ্টি হোৱাত অধ্যাপক দত্তদেৱে প্ৰথম গৰাকী উপাধ্যক্ষ হিচাপে নিযুক্তি লাভ কৰিছিল। অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱৰ অৱসৰ পিচত তেখেত ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে নিযুক্ত হৈছিল আৰু ১৯৯৮ খৃঃৰ ৩১মাৰ্চত অৱসৰ গ্ৰহণ কৰালৈকে তেখেতে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি গৈছিল। দত্তদেৱ আন এক গৌৰৱৰ অধিকাৰী আছিল যে মহাবিদ্যালয়ৰ শিক্ষাদান কাৰ্যৰ শুভ আৰম্ভণি কৰা প্ৰথম ক্লাচটো লোৱাৰ সৌভাগ্য তেখেতৰ হৈছিল। এগৰাকী কৃতী আৰু নিষ্ঠাবান অধ্যাপক হিচাপে নিৰ্ধাৰিত ক্লাচসমূহ নিয়াৰিকৈ লোৱাৰ উপৰিও পৰীক্ষা পৰিচালনাকে ধৰি অন্যান্য কাম-কাজসমূহতো জড়িত থাকি মহাবিদ্যালয়খন সুচাৰুৰূপে আগবাঢ়ি যোৱাত তেখেতে প্ৰভূত অৰিহণা আগবঢ়াই গৈছিল। এগৰাকী গুণী, জ্ঞানী তথা মানৱ দৰদী ব্যক্তি হিচাপে পৰিচিত শ্ৰীদত্তদেৱ এগৰাকী সুকবি হিচাপেও খ্যাত। বিভিন্ন প্ৰবন্ধ-পাতিৰ লগতে তেখেতৰ কাপৰ পৰা ভালেমান কবিতা নিগৰি ওলাইছে। মহাবিদ্যালয়ৰ আলোচনী "জবাহৰজ্যোতি"ৰ প্ৰকাশৰ লগতো তেখেতে নিবিড়ভাবে জড়িত আছিল। অৱসৰ গ্ৰহণৰ পাচত তেখেত এই অঞ্চলৰ শৈক্ষিক, সামাজিক, সাংস্কৃতিক আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ আছে। অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মঞ্চ (বকো)ৰ সভাপতি, 'অন্তৰংগ' (বকো)ৰ সভাপতিৰ দায়িত্ব পালন কৰি অহাৰ লগতে তেখেতে বৰ্তমান জবাহৰলাল নেহৰু মহাবিদ্যালয়ৰ (বকো)ৰ সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি হিচাপেও দায়িত্বভাৰ বহন কৰি আছে।

**প্ৰয়াত মদন চন্দ্ৰ কাকতিঃ**

যি সকল অধ্যাপকে ঘাটি মজুৰী লাভ নকৰা কালৰে পৰা সেৱা আগবঢ়াই মহাবিদ্যালয়খনক আজিৰ পৰ্য্যায়ত উপনীত কৰোৱাত অৱদান যোগাইছিল সেইসকলৰ ভিতৰত অন্যতম এগৰাকী আছিল প্ৰয়াত মদন চন্দ্ৰ কাকতিদেৱ। তেখেতে ১৯৬৬ খৃঃত এই মহাবিদ্যালয়ত অসমীয়া বিষয়ৰ অধ্যাপক হিচাপে যোগদান কৰিছিল। এগৰাকী সুদক্ষ খেলুৱৈ হিচাপে পৰিচিত কাকতিদেৱ ইয়াত যোগদান কৰাৰ আগতে জালুকবাৰীত থকা অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ত শৰীৰ চৰ্চাৰ প্ৰশিক্ষক হিচাপে নিযুক্ত আছিল। এই মহাবিদ্যালয়ত যোগদান কৰাৰ পিচত শিক্ষাদানত ব্ৰতী থকাৰ লগতে খেলা-ধূলাৰ প্ৰতিও ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰা কাৰ্যত মনোনিবেশ কৰিছিল আৰু ফলস্বৰূপে খেলা-ধূলাৰ ক্ষেত্ৰত মহাবিদ্যালয়খন এক গৌৰৱৰ অধিকাৰী হ'ব পাৰিছিল। তদুপৰি মহাবিদ্যালয়ৰ N.S.S. গ্ৰুপটো গঢ়ি তোলাৰ ক্ষেত্ৰতো তেখেতৰ অৱদান কম নাছিল। সমাজৰ প্ৰতিটো কামতে নেতৃত্ব প্ৰদান কৰিব পৰা গুণৰ অধিকাৰী কাকতিদেৱে ১৯৯৮ খৃঃত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। অৱসৰ গ্ৰহণৰ পিচত তেখেতে এই অঞ্চলৰ বিভিন্ন সামাজিক তথা ধৰ্মীয় অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত হৈ আছিল। কিন্তু ২০১০ ইং চনৰ ৩ নৱেম্বৰ তাৰিখে হঠাতে তেখেত আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে হেৰাই যায়।

**শ্ৰীধৰ্মকান্ত বৰুৱাঃ**

ঘাটি মজুৰী লাভ নকৰা দিনৰে পৰা এই মহাবিদ্যালয়ত অধ্যাপনা কৰা অধ্যাপক সকলৰ ভিতৰত অন্যতম এগৰাকী আছিল শ্ৰীযুত ধৰ্মকান্ত বৰুৱা। তেখেতে অসমীয়া বিষয়ৰ অধ্যাপক হিচাপে ১৯৬৬ খৃঃত এই মহাবিদ্যালয়ত যোগদান কৰিছিল। এগৰাকী নিষ্ঠাবান আৰু কৰ্তব্যপৰায়ণ অধ্যাপক হিচাপে ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিচিত শ্ৰীযুত বৰুৱাদেৱে পাঠদানৰ উপৰিও মহাবিদ্যালয়ৰ অন্যান্য কাম-কাজবোৰতো জড়িত হৈ আছিল। মহাবিদ্যালয়ৰ আলোচনী "জবাহৰজ্যোতি"ৰ প্ৰকাশৰ ক্ষেত্ৰতো তেখেতৰ অৰিহণা কম নাছিল। শ্ৰীযুত বসন্ত কুমাৰ দত্তদেৱৰ অৱসৰ গ্ৰহণৰ পিচত তেখেত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হোৱাৰ লগতে উপাধ্যক্ষ পদতো নিযুক্ত হৈছিল আৰু তদানীন্তন অধ্যক্ষ শৰৎ হাজৰিকাদেৱে এই মহাবিদ্যালয় এৰিযোৱাৰ পিচত শ্ৰীযুত বৰুৱাদেৱ এই মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপেও নিযুক্ত হৈছিল। ১৯৯৮খৃঃত শ্ৰীযুত বৰুৱাদেৱে অৱসৰ গ্ৰহণৰ কৰিছিল। অৱসৰ গ্ৰহণৰ পিচত তেখেত বৰ্তমান বকো অঞ্চলৰ শৈক্ষিক সামাজিক তথা ধৰ্মীয় ক্ষেত্ৰখনৰ লগত জড়িত হৈ আছে।

**শ্ৰীমৃগেন্দ্ৰ কুমাৰ শৰ্মাঃ**

১৯৭১খৃঃত জবাহৰলাল নেহৰু মহাবিদ্যালয়ত ইংৰাজী বিষয়ৰ অধ্যাপক হিচাপে যোগদান কৰা শ্ৰীযুত মৃগেন্দ্ৰ কুমাৰ শৰ্মা এগৰাকী কৃতী শিক্ষক হিচাপে পৰিচিত। ইংৰাজীৰ পাঠবোৰ

ছাত্ৰ-ছাত্ৰীক অতি সহজে বুজাই দিয়াৰ ক্ষমতা তেখেতৰ আছিল। নিয়মানুবৰ্তিতা আৰু কৰ্তব্য পৰায়ণতা -এই দুটা মহৎ গুণৰো তেখেত অধিকাৰী আছিল। মহাবিদ্যালয়ত পাঠদান কৰাৰ উপৰিও পৰীক্ষা পৰিচালনাকে ধৰি অন্যান্য কাম-কাজবোৰতো তেখেত জড়িত আছিল। মহাবিদ্যালয়নৰ আলোচনী "জৱাহৰজ্যোতি"ৰ তত্বাৱধায়ক হিচাপেও তেখেতে বহুবাৰ দায়িত্ব পালন কৰিছিল। ছাত্ৰ-ছাত্ৰীৰ মাজত অতি জনপ্ৰিয় শ্ৰীযুত শৰ্মাদেৱে ১৯৯৯খৃঃত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। অৱসৰ গ্ৰহণৰ পাচত তেখেত বকো অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰখনৰ লগত জড়িত হৈ আছে।

**শ্ৰীদ্বিজেন্দ্ৰ নাথ দাস ঃ**

শ্ৰীযুত দ্বিজেন্দ্ৰ নাথ দাসদেৱে ইতিহাসৰ অধ্যাপক হিচাপে ১৯৬৯খৃঃত এই মহাবিদ্যালয়ত যোগদান কৰিছিল। তেখেতে ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। মাৰ্ক্সীয় দৰ্শনত বিশ্বাসী তথা গভীৰ অধ্যয়নপুষ্ট শ্ৰীদাসদেৱে পাঠদানৰ লগতে মহাবিদ্যালয়ৰ প্ৰায়বোৰ কাম-কাজতে জড়িত আছিল। তদুপৰি তেখেতে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ সাধন কৰাৰ লগতে খেলা-ধূলাৰ বিকাশৰ দিশটোৰ প্ৰতিও মনোনিবেশ কৰিছিল। খেলা-ধূলাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক আকৃষ্ট কৰাৰ উদ্দেশ্যে তেখেতে নিজে কেবাবাৰো মহাবিদ্যালয়ৰ ফুটব'ল দলটোক আন্তঃ মহাবিদ্যালয় ফুটবল খেল প্ৰতিযোগিতাত যোগদান কৰাবলৈ নিছিল। এগৰাকী প্ৰবন্ধকাৰ হিচাপে তেখেতে ভালেমান উৎকৃষ্ট প্ৰবন্ধ লিখিছিল আৰু মহাবিদ্যালয়ৰ আলোচনী 'জৱাহৰজ্যোতি'ৰ লগতো নিবিড়ভাৱে জড়িত হৈ আছিল। ছাত্ৰ-ছাত্ৰীৰ মাজত অতিকৈ জনপ্ৰিয় শ্ৰীদাসদেৱে ২০০৫খৃঃত অৱসৰ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণৰ পিচত বৰ্তমান তেখেতে গুৱাহাটীত স্থায়ীভাৱে বসবাস কৰি আছে।

**অধ্যক্ষ ড° ৰমাকান্ত বৰুৱা ঃ**

অৰ্থনীতি বিভাগৰ অধ্যাপক হিচাপে বৰভাগ মহাবিদ্যালয়ত অধ্যাপনা কৰা ড° ৰমাকান্ত বৰুৱাদেৱে ১৯৯৮ খৃঃত অধ্যক্ষ হিচাপে নিযুক্তি লাভ কৰি এই মহাবিদ্যালয়ত যোগদান কৰিছিল। অধ্যক্ষ হিচাপে প্ৰায় ৮ বছৰ কাল কাৰ্যনিৰ্বাহক কৰি ২০০৬ খৃঃৰ জানুৱাৰীত তেখেতে অৱসৰ গ্ৰহণ কৰিছিল। গুৱাহাটীৰ ধাৰাপুৰ অঞ্চলৰ বাসিন্দা অধ্যক্ষ ড° বৰুৱাদেৱে অৱসৰ গ্ৰহণৰ পিচত বিভিন্ন সামাজিক তথা ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ আছে।

**শ্ৰীদিলীপ কুমাৰ দাস ঃ**

শ্ৰীদিলীপ কুমাৰ দাসদেৱে ইংৰাজী বিষয়ৰ অধ্যাপক হিচাপে ১৯৭০খৃঃত এই মহাবিদ্যালয়ত যোগদান কৰিছিল। এগৰাকী অধ্যাপক হিচাপে থাকিবলগীয়া সকলো গুণৰ অধিকাৰী শ্ৰীদাসদেৱে মহাবিদ্যালয়ৰ এগৰাকী নিষ্ঠাবান অধ্যাপক হিচাপে নিজৰ পৰিচয় দাঙি ধৰিব পাৰিছিল। নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি অতি সজাগ তথা সচেতন শ্ৰীদাসদেৱে তেখেতৰ ওপৰত ন্যস্ত দায়িত্ব পালন কৰাত কেতিয়াও অৱহেলা কৰা নাছিল। সেয়ে এটা সময়ত পৰীক্ষা তথা নিৰ্বাচন আদি পৰিচালনা কৰাৰ ভাৰ তেখেতৰ ওপৰতে ন্যস্ত হৈছিল। শ্ৰেণীত ইংৰাজীৰ পাঠবোৰ খৰচি মাৰি শিকাব পৰা কাৰণে দাসদেৱ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অতি জনপ্ৰিয় আছিল। ছাত্ৰ-ছাত্ৰী সকলৰ তেখেতৰ প্ৰতি অগাধ ভক্তি আছিল যদিও তেওঁলোকে কিন্তু তেখেতক ভয় নকৰাকৈয়ো থকা নাছিল। এক সৃজনীশীল মনৰ অধিকাৰী শ্ৰীদাসদেৱ সংগীত তথা সুকুমাৰ কলাৰ প্ৰতিও অনুৰাগী আছিল। তেখেতে ভালেমান গল্প-প্ৰবন্ধ আদি লিখাৰ উপৰিও সুন্দৰ সুন্দৰ কবিতা তথা গীত ৰচনা কৰিছিল। মহাবিদ্যালয়ৰ আলোচনী "জৱাহৰজ্যোতি"ৰ তত্বাৱধায়ক হিচাপেও তেখেত বহুকাল ওতঃপ্ৰোতভাৱে জড়িত আছিল। ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰা শ্ৰীদাসদেৱ পৰৱৰ্ত্তী সময়ত উপাধ্যক্ষ আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষৰ পদত অধিষ্ঠিত হৈছিল। ২০০৬খৃঃৰ ২৮ফেব্ৰুৱাৰী তাৰিখে তেখেতে অৱসৰ গ্ৰহণ কৰে আৰু বৰ্তমান গুৱাহাটীত তেখেতে অৱসৰী জীৱন-যাপন কৰি আছে।

**শ্ৰীলক্ষীকান্ত শৰ্মা ঃ**

শ্ৰীলক্ষীকান্ত শৰ্মাদেৱে ইতিহাস বিষয়ৰ অধ্যাপক হিচাপে ১৯৭৪ খৃঃৰ ১৮নৱেম্বৰ তাৰিখে এই মহাবিদ্যালয়ৰ যোগদান কৰিছিল। নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি সদা সচেতন শ্ৰীশৰ্মাদেৱে পাঠদানৰ লগতে পৰীক্ষা পৰিচালনা, নিৰ্বাচন, ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্তিকৰণ আদি মহাবিদ্যালয়ৰ যাৱতীয় কাম-কাজ আদিত সততে জড়িত হৈ আছিল। তদুপৰি সৰস্বতী পূজাকে আদি কৰি ছাত্ৰ একতা সভাৰ বিভিন্ন কাম-কাজতো তেখেত সক্ৰিয়ভাৱে জড়িত আছিল। ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত দ্বিজেন দাসৰ অৱসৰৰ পিচত তেখেত

বিভাগটোৰ মুৰব্বী হৈছিল আৰু পৰৱৰ্ত্তী সময়ত উপাধ্যক্ষ হিচাপে নিযুক্তি লাভ কৰাৰ লগতে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপেও নিযুক্ত হৈ কাৰ্যনিৰ্বাহ কৰিছিল. ২০১১ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে শ্ৰীশৰ্মাদেৱে এই মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণৰ পাচত বৰ্তমান তেখেতে বকো অঞ্চলৰ শৈক্ষিক সামাজিক ক্ষেত্ৰখনৰ লগত জড়িত থকাৰ উপৰিও অন্যান্য আন ভালেমান অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো জড়িত হৈ আছে।

**মঃ মজিবৰ ৰহমান ঃ**

মঃ মজিবৰ ৰহমানে ৰাজনীতি বিজ্ঞান বিষয়ৰ অধ্যাপক হিচাপে ১৯৭৭ খৃঃৰ এপ্ৰিল মাহত এই মহাবিদ্যালয়ত যোগদান কৰিছিল। পৰৱৰ্ত্তী সময়ত তেখেত ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হয় আৰু শেষত উপাধ্যক্ষ হিচাপে নিযুক্ত হৈ কাৰ্যনিৰ্বাহ কৰিছিল। এগৰাকী সহজ-সৰল তথা অমায়িক ব্যক্তি অধ্যাপক মজিবৰ ৰহমানে নিজৰ নিয়মানুবৰ্তিতা, কৰ্তব্যপৰায়ণতা আদি গুণৰ কাৰণে সকলোৰে মন জয় কৰিব পাৰিছিল। শিক্ষাদানৰ লগতে পৰীক্ষা পৰিচালনাকে ধৰি মহাবিদ্যালয়ৰ অন্যান্য কাম-কাজবোৰ সুচাৰুৰূপে সম্পন্ন কৰি তেখেতে নিজৰ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল। ২০১২ চনৰ চেপ্তেম্বৰ মাহত তেখেতে অৱসৰ গ্ৰহণ কৰে আৰু বৰ্তমান তেখেতে গোৱালপাৰা চহৰত বসবাস কৰি আছে।

**শ্ৰীভৱেশ চন্দ্ৰ গোস্বামী ঃ**

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ পৰা বৰ্তমানলৈকে অৱসৰ গ্ৰহণ কৰা অধ্যাপক সকলৰ তালিকাৰ শেষৰ গৰাকী আছিল শ্ৰীভৱেশ চন্দ্ৰ গোস্বামী। তেখেতে নৃতত্ব বিষয়ৰ মুৰব্বী অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে পৰৱৰ্তী সময়ত উপাধ্যক্ষ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। ছাত্ৰ -ছাত্ৰীসকলৰ মাজত অধিক জনপ্ৰিয় অধ্যাপক সকলৰ ভিতৰত শ্ৰীগোস্বামীদেৱো অন্যতম আছিল। নিজ কৰ্তব্যৰ প্ৰতি থকা সচেতনতাৰ কাৰণে তেখেত মহাবিদ্যালয় কৰ্তৃপক্ষৰো প্ৰিয়ভাজন হ'ব পাৰিছিল। শিক্ষাদানৰ লগতে মহাবিদ্যালয়ৰ অন্যান্য কাম-কাজতো জড়িত থাকি নিজৰ পাৰদৰ্শিতা দেখুৱাবলৈ তেখেত সক্ষম হৈছিল। ২০১৩ চনৰ ৩০ নৱেম্বৰত শ্ৰীগোস্বামীদেৱে অৱসৰ গ্ৰহণ কৰে আৰু গুৱাহাটীত তেখেতে অৱসৰী জীৱন-যাপন কৰি আছে।

**শ্ৰীমহেশ দাস ঃ**

সময় বাগৰাৰ লগে লগে অধ্যাপক সকলৰ নিচিনাকৈ মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলেও অৱসৰ লভাৰ পথত অগ্ৰসৰ হৈছিল। এনেদৰে অৱসৰ গ্ৰহণ কৰা মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ প্ৰথমগৰাকী আছিল চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী শ্ৰীমহেশ দাস। যাক সকলোৱে 'মহেশকা' বুলি মাতিছিল। মহাবিদ্যালয়খনক নিজৰ প্ৰাণৰ দৰে ভালপোৱা শ্ৰীমহেশ দাসে অৱসৰৰ দিনলৈকে অকৃপণভাৱে সেৱা আগবঢ়াই গৈছিল। ২০০৪ চনত অৱসৰ গ্ৰহণ কৰি শ্ৰীমহেশ দাসে বৰ্তমান নিজ গাঁৱত অৱসৰৰ জীৱন যাপন কৰি আছে।

**শ্ৰীৰাধাচৰণ মেধিঃ**

বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ পৰা উচ্চ বৰ্গৰ সহায়ক হিচাপে অৱসৰ গ্ৰহণ কৰা শ্ৰীৰাধাচৰণ মেধিদেৱে এগৰাকী নিয়মানুৱৰ্ত্তী আৰু কৰ্তব্যপৰায়ণ কৰ্মচাৰী হিচাপে নিজৰ পৰিচয় দাঙি ধৰিব পাৰিছিল। মহাবিদ্যালয়খনত এক দীঘলীয়া কালৰ কাম কৰাৰ অভিজ্ঞতা থকা শ্ৰীমেধিদেৱে অতি দক্ষতাৰে মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ কাম-কাজবোৰ সম্পন্ন কৰিব পাৰিছিল। সুদীৰ্ঘ কাল মহাবিদ্যালয়খনত সেৱা আগবঢ়াই মেধিদেৱে ২০০৬ চনৰ মে' মাহত অৱসৰ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণৰ পিচত তেখেত বকোতে বসবাস কৰি অৱসৰৰ জীৱন যাপন কৰি আছে।

**শ্ৰীগৌতম ৰাভা ঃ**

মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা অন্যতম এগৰাকী ব্যক্তি আছিল শ্ৰীগৌতম ৰাভা। তেখেত এই মহাবিদ্যালয়ৰ প্ৰথম গৰাকী গ্ৰন্থাগাৰিক আছিল। প্ৰাৰম্ভিক পৰ্যায়ত মহাবিদ্যালয় এখনত পুথিভঁৰাল এটা গঢ়ি তোলা তথা সু-পৰিচালনা কৰাটো নিশ্চয় সহজসাধ্য কাম নহয়। কিন্তু মহাবিদ্যালয়ৰ পুথিভঁৰালটো সুন্দৰভাৱে গঢ়ি তোলাৰ লগতে সু-নিয়াৰিকৈ পৰিচালিত কৰিছিল। পুথিভঁৰালৰ কাম-কাজত জড়িত থকাৰ মাজতে তেখেত সাহিত্য-সংস্কৃতি তথা খোলা-ধূলাৰ লগতো জড়িত হৈ আছিল। অসম সাহিত্য সভাৰ বকো শাখাৰো একালত তেখেত সভাপতি আছিল। তদুপৰি তেখেতে বহুতো প্ৰবন্ধ পাতিও লিখিছিল। ২০০৯ চনৰ অক্টোবৰত তেখেতে মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণৰ পিচত তেখেতে সামাজিক-সাংস্কৃতিক তথা শৈক্ষিক ক্ষেত্ৰখনত জড়িত হৈ অঞ্চলটোলৈ সেৱা আগবঢ়াই আছে।

**শ্ৰীশৈলেন্দ্ৰ নাথ শৰ্মা ঃ**

উচ্চ বৰ্গৰ সহায়ক হিচাপে বকো জৱাহৰলাল নেহৰু

মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা শ্ৰীশৈলেন্দ্ৰ নাথ শৰ্মা এগৰাকী নিষ্ঠাবান কৰ্মচাৰী আছিল। মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ কাম-কাজবোৰ কৰাৰ লগতে পৰীক্ষা সংক্ৰান্তীয় যাৱতীয় কামবোৰো নিয়াৰিকৈ সম্পাদন কৰাত শ্ৰীশৰ্মাদেৱ সিদ্ধহস্ত আছিল। সুদীৰ্ঘ কাল মহাবিদ্যালয়খনৰ প্ৰতি সেৱা আগবঢ়াই ২০১১ চনৰ জুনত তেখেতে অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পাচত তেখেতে পাঠশালা চহৰত থকা নিজা বাসভৱনত বসবাস কৰি আছে।

**শ্ৰীসৰ্বেশ্বৰ দাস ঃ**

সোণালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ প্ৰাক্‌ক্ষণত অৱসৰ গ্ৰহণ কৰা শ্ৰীসৰ্বেশ্বৰ দাসে চতুৰ্থ বৰ্গৰ কৰ্মচাৰী হিচাপে এক দীঘলীয়া সময়ৰ কাৰণে মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়াইছিল। মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ যাৱতীয় কামবোৰ কৰাৰ লগতে পৰীক্ষা অনুষ্ঠিত কৰা সময়ত তেখেতে মহাবিদ্যালয়ৰ পৰীক্ষা পৰিচালনা কমিটিৰ সহায়কাৰী হিচাপে পাৰ্যমানে সহযোগিতা আগবঢ়াইছিল। কৰ্মক্ষেত্ৰত তেখেতে নিষ্ঠা আৰু সততাৰ পৰিচয় দিব পাৰিছিল। ২০১৩ চনৰ ডিচেম্বৰত তেখেতে অৱসৰ গ্ৰহণ কৰে।

আলোচ্য কালছোৱাত কৰ্মৰত অৱস্থাত থকা বহুকেইজন শিক্ষক-কৰ্মচাৰীক মহাবিদ্যালয়খনে হেৰুৱাব লগা হৈছিল। এইসকল শিক্ষক-কৰ্মচাৰী আছিল ক্ৰমে-

**প্ৰয়াত দীনেশ চন্দ্ৰ শৰ্মা ঃ**

কৰ্মৰত অৱস্থাত থাকোতে অকালতে হেৰাই যোৱা এই মহাবিদ্যালয়ৰ প্ৰথম গৰাকী ব্যক্তি আছিল প্ৰয়াত দীনেশ চন্দ্ৰ শৰ্মা। তেখেতে ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেখে এগৰাকী সমাজ সচেতন আৰু সৰবৰহী ব্যক্তি হিচাপে পৰিচিত আছিল। ১৯৮৪ খৃঃত তেখেতে হঠাতে আমাৰ মাজৰ পৰা চিৰদিনৰ কাৰণে গুচি গৈছিল।

**প্ৰয়াত হাচমৎ আলী ঃ**

মহাবিদ্যালয়ৰ পৰিয়ালৰ পৰা অকালতে হেৰাই যোৱা ব্যক্তিসকলৰ মাজত অন্যতম এগৰাকী আছিল মঃ হাচমৎ আলী। তেওঁ এগৰাকী চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আছিল। মহাবিদ্যালয়ৰ অফিচ সংক্ৰান্তীয় কামত গুৱাহাটীলৈ গৈ তাত কৰ্ম সম্পাদন কৰি ঘূৰি অহাৰ পথত বাছখন দুৰ্ঘটনাগ্ৰস্ত হোৱাত তেখেতে কৰুণভাৱে মৃত্যুবৰণ কৰিছিল। এজন অমায়িক আৰু নিষ্ঠাবান কৰ্মচাৰী হিচাপে তেখেত সকলোৰে প্ৰিয়পাত্ৰ হ'ব পাৰিছিল।

**প্ৰয়াত কনক চন্দ্ৰ দাস ঃ**

মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ প্ৰথমগৰাকী উচ্চবৰ্গৰ সহায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰা কনক চন্দ্ৰ দাসদেৱ এক দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ অকালতে মৃত্যুবৰণ কৰিছিল। এক শান্ত, নম্ৰ তথা ধীৰ স্বাভাৱৰ প্ৰয়াত দাসদেৱে কৰ্মকে ধৰ্ম বুলি মান তেখেতৰ ওপৰত ন্যস্ত মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ যাৱতীয় কাম-কাজবোৰ অতি পৰিপাটি তথা নিয়াৰিকৈ সম্পাদন কৰিছিল। মহাবিদ্যালয়ত সকলোৰে প্ৰিয় দাসদেৱে ১৯৯৭ খৃঃৰ ১৪ নৱেম্বৰ তাৰিখে ইহলীলা সম্বৰণ কৰিছিল।

**প্ৰয়াত অধ্যাপক দেৱেন্দ্ৰ নাথ শৰ্মা ঃ**

প্ৰয়াত দেৱেন্দ্ৰ নাথ শৰ্মাদেৱে ১৯৬৬ খৃঃত এই মহাবিদ্যালয়ত অৰ্থনীতি বিষয়ৰ অধ্যাপক হিচাপে যোগদান কৰিছিল। পাচলৈ তেখেত অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক আৰু শেষত উপাধ্যক্ষ পদলৈ পদোন্নতি লাভ কৰে আৰু মৃত্যুৰ দিনলৈকে উপ্যধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি গৈছিল। সময়ানুবৰ্তিতা তথা নিজ কৰ্তব্যৰ প্ৰতি সদা সচেতন থকা প্ৰয়াত শৰ্মাদেৱে পাঠদানৰ উপৰিও মহাবিদ্যালয়ৰ বিভিন্ন কাম-কাজত সক্ৰিয় অংশগ্ৰহণ কৰিছিল। এগৰাকী সামাজিক তথা সৰবৰহী ব্যক্তি হিচাপেও সমাজত তেখেত পৰিচিত আছিল। ২০০০ খৃঃৰ ২০ মেৰ দিনা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা অৱস্থাতে তেখেত স্বৰ্গগামী হৈছিল।

**প্ৰয়াত অধ্যাপক নবীন চন্দ্ৰ মুদিয়াৰঃ**

বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয় পৰিয়ালৰ অন্যতম সদস্য হিচাপে পৰিগণিত হোৱা তথা ভূগোল বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক প্ৰয়াত মুদিয়াৰদেৱে ১৯৮২ খৃঃত জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত যোগদান কৰিছিল। কৰ্তব্যপৰায়ণতা, নিয়মানুবৰ্তিতাকে ধৰি শিক্ষক এজনৰ থাকিবলগীয়া সকলোবোৰ গুণ প্ৰয়াত মুদিয়াৰদেৱৰ মাজত আছিল। ছাত্ৰ-ছাত্ৰীক পৰামৰ্শ তথা উৎসাহ দিয়াত তেখেতে কেতিয়াও কাৰ্পন্য কৰা নাছিল। মহাবিদ্যালয়ত অনুষ্ঠিত সভা-সমিতি তথা উৎসৱাদিত তেখেত সদায় আগৰণুৱা আছিল। মহাবিদ্যালয়খনৰ উন্নতি তথা বিকাশ তেখেতে মনে প্ৰাণে বিচাৰিছিল। বামপন্থী মতাদৰ্শ তথা চিন্তাধাৰাৰ ব্যক্তি হোৱা বাবে তেখেত এগৰাকী অতি সমাজ সচেতন ব্যক্তি আছিল। সমাজৰ প্ৰতি থকা দায়বদ্ধতা তেখেতৰ কামে-কাজে পৰিস্ফুট হৈছিল।

২০০৮ খৃঃৰ ১৪ ফেব্ৰুৱাৰী তাৰিখে মহাবিদ্যালয়ৰ পৰিয়ালে তেখেতক চিৰদিনৰ বাবে হেৰুৱাইছিল।

**প্ৰয়াত অধ্যাপক অকন চন্দ্ৰ পাটোৱাৰী ঃ**

অৰ্থবিজ্ঞান বিষয়ৰ অধ্যাপক হিচাপে প্ৰয়াত অকন চন্দ্ৰ পাটোৱাৰীদেৱে ১৯৭৭ খৃঃত বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত যোগদান কৰিছিল। পাচলৈ তেখেত অৰ্থবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হৈছিল আৰু উপাধ্যক্ষৰ পদত অধিষ্ঠিত হ'বলগীয়া আছিল। কিন্তু উপাধ্যক্ষৰ পদত নিযুক্ত নৌ হওতেই হঠাতে তেখেত এক দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈছিল আৰু নিচেই কম দিনৰ ভিতৰতে তেখেতে মৃত্যুক সাৱতি ল'বলগীয়া হৈছিল। প্ৰয়াত পাটোৱাৰীদেৱ এগৰাকী নিষ্ঠাবান, কৰ্ত্তব্যপৰায়ণ আৰু সহজ-সৰল ব্যক্তি আছিল। ছাত্ৰ-ছাত্ৰীক পাঠদান কৰা লগতে মহাবিদ্যালয়ৰ অন্যান্য কাম-কাজবোৰতো তেখেত জড়িত আছিল। ২০১৩ খৃঃৰ ১০ এপ্ৰিলৰ দিনা মহাবিদ্যালয় পৰিয়ালে তেখেতক চিৰদিনৰ বাবে হেৰুৱায়।

নিয়তিৰ বিচিত্ৰ বিধান মানি প্ৰয়াত দীনেশ চন্দ্ৰ শৰ্মাদেৱকে ধৰি বহুকেইগৰাকী শিক্ষক-কৰ্মচাৰী অকালতে চিৰদিনৰ বাবে আমাৰ মাজৰ পৰা আঁতৰি গৈছে। তেখেতসকল আমাৰ মাজত নাই যদিও তেখেতসকলে দেখুৱাই যোৱা আদৰ্শ আৰু কৰ্মৰাজিয়ে মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গক নিশ্চয় অনুপ্ৰাণিত কৰি থাকিব। কিন্তু চাকৰিৰ বিধি অনুসৰি অৱসৰ গ্ৰহণ কৰা শিক্ষক-কৰ্মচাৰী সকলৰ কথা সুকীয়া। অৱসৰ গ্ৰহণ কৰা মানে তেখেত সকলৰ চাকৰিৰ কাৰ্যকালহে শেষ হৈছে। অৰ্থাৎ একোটা ব্যৱস্থা বা বন্ধনৰ পৰা তেখেতসকল মুক্ত হৈছে। সমাজৰ দায়িত্বশীল ব্যক্তি হিচাপে সমাজখনৰ প্ৰতি, অঞ্চলবাসীৰ প্ৰতি তথা কুকুৰা ফুলৰ দৰে ৰঙা ৰঙা অযুত সপোনৰ কল্পনা কৰি জীৱনৰ সৰ্বোত্তম কালছোৱা অতিবাহিত কৰা মহাবিদ্যালয়খনৰ প্ৰতিও তেখেতসকলৰ কৰিবলগীয়া কাম এতিয়াও নিশ্চয় বহুখিনি আছে। উৎকৃষ্ট মানৱসম্পদ হিচাপে অভিহিত কৰিব পৰা তথা বহু অভিজ্ঞতাৰে পৰিপুষ্ট তেখেত সকলৰ অভিজ্ঞতা খিনি মহাবিদ্যালয়ৰ উৎকৰ্ষ সাধন তথা সমাজ নিৰ্মাণত প্ৰয়োগ কৰিব পাৰিলে মহাবিদ্যালয়খনৰ লগতে সমাজখন নিশ্চয় বহুপৰিমাণে উপকৃত হ'ব। বিশেষকৈ হত্যা-হিংসা, দুৰ্নীতি-ভ্ৰষ্টাচাৰ তথা অন্যায়-অনীতিয়ে ছানি ধৰা সমাজখনক সজ আদৰ্শ আৰু শুদ্ধ পথৰ সন্ধান দিবৰ কাৰণে এচাম আদৰ্শবান তথা বিবেকবান লোকৰ অতি প্ৰয়োজন হৈছে। এই ক্ষেত্ৰত অৱসৰী এইসকল লোকে নিশ্চয় এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। তেখেত সকল ওলাই আহি সমাজক পথ প্ৰদৰ্শনৰ কামত আত্মনিয়োগ কৰিলে নিশ্চয় এখন সুন্দৰ তথা নিকা সমাজ গঢ়ি উঠিব বুলি আশা কৰিব পাৰি। তদুপৰি অৱসৰী এই সকল ব্যক্তিয়ে যদি সামাজিক তথা ৰাজহুৱা কাম-কাজত নিজকে নিমগ্ন কৰি ৰাখিব পাৰে তেতিয়া তেখেতসকলে কেতিয়াও নিজকে বুঢ়া হৈ গৈছো বা গুৰুত্বহীন হৈ পৰিছোঁ বুলি ভাবিবৰ অৱকাশ নাপাব। ❂❂❂

❂ আধুনিক সাহিত্যত প্ৰবন্ধই বিশেষ স্থান অধিকাৰ কৰি আহিছে। অৰুণোদয় কাকততে প্ৰবন্ধ সাহিত্যই ভুমুকি মাৰে। তাৰ পিছত আসাম বিলাসিনী, আসাম বন্ধু আদি কাকতৰ যোগেদি হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, ৰত্নেশ্বৰ মহন্ত, কালিৰাম বৰুৱা আদি লেখকসকলে ইয়াক উন্নতিৰ পথত আগবঢ়াই নিয়ে; কিন্তু সেই যুগত বেছিভাগ প্ৰবন্ধই আছিল চিন্তাধৰ্মী আৰু বাস্তৱধৰ্মী। জোনাকী কাকত প্ৰকাশৰ লগে লগে মনোধৰ্মী, ব্যক্তিনিষ্ঠ আৰু ৰসাত্মক প্ৰবন্ধৰো ইতিহাস আৰম্ভ হয় বুলি ক'ব পাৰি। এই শ্ৰেণীৰ প্ৰবন্ধত ব্যক্তি চিন্তাতকৈ ব্যক্তি চিত্তৰহে অভিব্যক্তি হয়। লেখকৰ ব্যক্তিৰ সন্মোহিনী শক্তিয়ে এই শ্ৰেণীৰ প্ৰবন্ধক সুখপাঠ্য কৰি তোলে। বিষয় বস্তু ইয়াত কেৱল উপলক্ষ্য মাত্ৰ, প্ৰকাশ ভংগীৰ সৌন্দৰ্যহে এই ৰচনাৰ প্ৰধান উদ্দেশ্য। ইংৰাজী সাহিত্যত চাৰ্লচ্ লেম্বে এইবিধ ৰচনাক পাংক্তেয় কৰি তোলে।

-ড০ সত্যেন্দ্ৰনাথ শৰ্মা

# আয়ুষ্মান জে.এন. কলেজ ঃ ঐতিহাসিক ৰূপৰেখাৰ এটি অৱলোকন

কেশৱ চন্দ্ৰ ৰাভা
বকো

জ্যোতিষীৰ ভৱিষ্যৎ বাণীত তেতিয়াৰ জনসাধাৰণ আতঙ্কগ্ৰস্ত। ১৯৬২ চনৰ সম্ভাৱনীয় মহাপ্ৰলয়। জেদ্ (Z) আকৃতিৰ ৩ ফুট দ গাঁত খান্দি আত্ম সুৰক্ষাৰ কুচকাৱাজ। পিছে বৰভুঁইকপ, প্ৰাকৃতিক দুৰ্যোগে জনগণৰ মৃত্যু বিভীষিকা সমাগত নকৰিলে। সমাগত হ'ল সেই চনৰে চেপ্তেম্বৰ মাহত চীনৰ ভাৰত আক্ৰমণ। টিৱাপৰ লাডাখ আদি ঠাই আক্ৰমণ কৰি তেতিয়াৰ অবিভক্ত অসমৰ বহু ভিতৰলৈ সোমাই আহি চীন সৈন্যই নিজৰ দখললৈ ল'লে। কেন্দ্ৰীয় চৰকাৰৰ সুৰক্ষাবল নিৰাশ হ'ল। অনাকাংক্ষিত দুৰ্যোগত অসমৰ জনগণৰ চকুৰ টোপনি হৰিল। দুই দেশৰ মাজত হোৱা যুদ্ধৰ ভয়াবহতা অসমৰ ৰাইজে উপলব্ধি কৰিলে।

সেই সময়ত এনে এটা পৰ্যায় দেখিবলৈ পোৱা গ'ল ৰাষ্ট্ৰীয় ঘাই পথেৰে অকা-ডফলা আদি লোকসকলে গাধৰ পিঠিত নিজৰ মাল-বস্তু বোজাই দি দলে দলে মতা মাইকী উভয়ে খোজকাঢ়ি ক্লান্তিৰে নামনিলৈ আহে। য'তেই নিশা হয় তাতেই ৰাস্তাৰ কাষৰ মুকলি ঠাইত একেলগে জুমবান্ধি কিবা অলপ সিজাই খাই নিশা কটায়। ৰাতিপুৱা পুনৰ লক্ষ্যবিহীন বিভীষিকা গ্ৰস্ত মন লৈ পশ্চিমলৈ গতি কৰে। এই দৃশ্য অতি হৃদয় বিদাৰক। উপায়ন্তৰ হৈ নেহৰুৱে- 'অসমৰ ৰাইজৰ কাৰণে মোৰ প্ৰাণ কান্দি উঠিছে- My heart bleeds for the people of Assam' বুলি একপ্ৰকাৰ বিদায় সম্ভাষণ আকাশবাণী ৰেডিঅ' যোগে প্ৰচাৰ কৰে। সৌভাগ্যক্ৰমে একপক্ষীয় অপসাৰণ নীতি ঘোষণা কৰি চীন সৈন্যই দখললৈ অনা অসমৰ ঠাইসমূহ এৰি গুচি যায়। ভাৰতলৈ স্বস্তিৰ নিঃশ্বাস ঘূৰি আহে। প্ৰাণৰ মমতাত আত্মৰক্ষাৰ বাবে যুদ্ধক্ষেত্ৰ ঠাইসমূহৰ পৰা বিতাড়িত হোৱা নিমাখিত পাহাৰী লোক সকল অনেক দুৰ্ভোগ ভুগী অহাবাটে পুনৰ নিজ ঠাইলৈ উভতি যায়। চীন ভাৰত যুদ্ধৰ সমাপ্তি ঘটে। অসমৰ ৰাইজৰ সামাজিক পৰিৱেশত কিছু শান্তি বিৰাজ কৰে।

১৯৬৩ বৰ্ষত বকোত এখন উচ্চ শিক্ষানুষ্ঠান স্থাপনৰ প্ৰচাৰ বাতাবৰণ সৃষ্টি হয়। বকো হাইস্কুল স্থাপনৰ ১৬ বছৰীয়া ইতিহাসত উক্ত স্কুলৰে প্ৰধান শিক্ষক প্ৰয়াত অচ্যুত কান্ত অধিকাৰীদেৱৰ আহ্বান ক্ৰমে অঞ্চলৰ গণ্যমান্য ব্যক্তি, সমাজকৰ্মী আদিক লৈ কলেজ স্থাপনৰ আলোচনা চলিল। এইক্ষেত্ৰত উচ্চ শিক্ষাধিকৰ্ত্তা তথা শিক্ষা সংসদৰ তৰফৰ পৰাও উদ্দেশ্যই গুৰুত্ব পালে। অঞ্চলীয় তথা উপকণ্ঠীয় বিদ্যালয়সমূহৰ পৰাও সেউজ সংকেত পালে। গতিকে ১৯৬৪ চনত কলেজ স্থাপন ও শিক্ষা বৰ্ষ আৰম্ভ কৰিব পৰা জোখাৰে অগ্ৰিম আমনতৰ ধন সেইসময়ৰ হিচাবত নিম্নতম ৩ লাখ (তিনিলাখ)মান টকা সংগ্ৰহৰ বিষয়ে আলোচনা চলিল। অঞ্চলৰ আঢ্যৱন্ত, মধ্যবিত্ত, সাধাৰণ শ্ৰেণীৰ লোক সকলোৱে এই কাৰ্যত সহায় কৰিলে। বাকী সৰ্বসাধাৰণ খেতিয়ক ৰাইজৰ পৰা আঘোণ মহীয়া কৃষি চপোৱা বতৰত প্ৰতিখন গাঁৱৰ পৰা কলেজ স্থাপন কৰাৰ নামত ধান, টকা-পইচা যিয়ে যি দিব পাৰে সন্ধিয়া ঘৰে ঘৰে গৈ দান বৰঙণি উঠালে। বকো হাইস্কুলৰ সেইকালৰ জ্যেষ্ঠ ছাত্ৰ তথা শিক্ষকসকলক আটায়ে একো একোটি গোটত ভাগ হৈ গাঁৱে গাঁৱে গৈ ধন সংগ্ৰহৰ কাৰ্যত জৰিত হ'ল। ধন সংগ্ৰহৰ বাবে ওলাই অহা তেনে এটি দল যথাক্ৰমে প্ৰয়াত লক্ষ্মন প্ৰসাদ ৰাভা,

প্ৰমোদ চন্দ্ৰ ৰাভা, শোভাৰাম দৈমাৰী, মুহিন চন্দ্ৰ কলিতা, শ্ৰীযুত খগেন বায়ন, আদি শিক্ষাগুৰুসকলৰ লগত মইয়ো নিজৰ গাঁওখনত সহযোগ কৰিলোঁ। গাঁও অঞ্চলৰ সৰ্ব্বসাধাৰণ কৃষক ৰাইজৰ পৰা যৎকিঞ্চিত হ'লেও আশানুৰূপ সহাৰি পেৱা গ'ল। আনকি বকোৰ নিচেই সীমিত সংখ্যক চৰকাৰী বেচৰকাৰী কাৰ্য্যালয় আদিৰ বিষয়া কৰ্মচাৰীসকলৰ সহায়-সহযোগিতাও কলেজ স্থাপনৰ উদ্যোক্তা সকলক উদগনি যোগালে। ১৯৬৪ ইং চনৰ বিশ্ববিদ্যালয় অনুমোদিত শিক্ষাবৰ্ষৰ পৰা বকো কলেজৰ নৈশ শাখা খোলা হ'ল। কিছুদিন প্ৰয়াত অচ্যুৎকান্ত অধিকাৰীদেৱে ভাৰপ্ৰাপ্ত অধ্যক্ষৰ কাম চলালে। বকো হাইস্কুল ছুটিৰ শেষত বিয়লি আৰম্ভ হোৱা প্ৰাক্‌বিশ্ববিদ্যালয়ৰ একছৰীয়া (P.U.) কলা শ্ৰেণী হাইস্কুলৰ ১০ম শ্ৰেণীৰ কোঠালিতে পাঠদান আৰম্ভ কৰিলে। কলেজৰ কাৰ্যালয় হিচাপে গান্ধীময়দানৰ তেতিয়াৰ 'প্ৰগতি' পুথিভঁৰাল গৃহটোকে ব্যৱহাৰ কৰিবলৈ ললে। কলেজৰ শ্ৰেণী আৰম্ভ হোৱাৰ সময়ত ° বিজয় চন্দ্ৰ ৰাভা, ° যতীন চন্দ্ৰ ৰাভাকে আদি কৰি ৭/৮ জনমান ছত্ৰই নাম ভৰ্ত্তি কৰিলে। পৰৱৰ্তী সময়ত ছাত্ৰ সংখ্যা বৰ্দ্ধিত হ'ল।

সৌভাগ্য ক্ৰমে বকো অঞ্চলবাসী ৰাইজৰ বাবে উচ্চশিক্ষাৰ স্থল, জ্ঞানৰ ৰেঙণি বকো কলেজৰ বাবে উপযুক্ত প্ৰতিস্থাপক অধ্যক্ষ এজন বিচাৰি উলিওৱাত অকণো ৰ'ব লগা নহ'ল। বকো কলেজ প্ৰতিষ্ঠাপক মণ্ডলীৰ জোৰদাৰ আহ্বানত সেইদিনত কটন কলেজত ইংৰাজী বিষয়ত অধ্যাপনাৰত শ্ৰীযুত যতীন চন্দ্ৰ নাথ দেৱে চৰকাৰী কলেজৰ চাকৰি বাদ দি নতুনকৈ আৰম্ভ হোৱা বকো কলেজৰ অধ্যক্ষ পদত যোগদান কৰিলে। জানিব পাৰিছিলোঁ দক্ষিণ কামৰূপৰ নহিৰা নিবাসী শ্ৰীযুত নাথ সেই সময়ৰ গুৱাহাটীৰ বিখ্যাত কটন কলেজিয়েট হাইস্কুলৰ পৰা মেট্ৰিকত ষ্টেণ্ড পঞ্জিচন লৈ পাছ কৰে আৰু কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লয়। বেনাৰস হিন্দু ইউনিভাৰ্চিটিৰ পৰা সুখ্যাতিৰে ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লৈ কটন কলেজত কেইমাহমান অধ্যাপনা কৰে। সেইসময়তে বকো ৰাইজ তথা কলেজ উদ্যোক্তাৰ আহ্বান ক্ৰমে ঐতিহ্যমণ্ডিত কলেজৰ সন্মানীয় চাকৰি বাদ দি বকোৰ নতুন অমঞ্জুৰীকৃত কলেজত যৎকিঞ্চিত জলপানিৰে প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাবে যোগদান কৰে। নিজৰ ভৱিষ্যত সুষম জীৱনৰ বহু কিবা আশা কৰিব পৰা ব্যক্তি স্বাৰ্থ ত্যাগ কৰি তেতিয়াৰ এই পিচপৰা কলেজখনত মনোনিবেশ কৰি অৱসৰ সময়লৈকে শৈক্ষিক পৰিৱেশ অক্ষুন্ন ৰাখি শিক্ষানুষ্ঠানখনিক আগবঢ়াই নিব পৰা বিৰল ব্যক্তিত্বৰ ব্যক্তি হিচাপে বকো ৰাইজৰ বাবে তেওঁ অন্যতম শ্ৰদ্ধাৰ পাত্ৰ। তেওঁ বকোলৈ অহাৰ প্ৰথম কেইবছৰমান শ্ৰীযুত দেৱেশ্বৰ গোস্বামীৰ আৱাস গৃহতেই এটি সুকীয়া গৃহত থকা-মেলাৰ সুবন্দোবস্ত কৰি দিয়া হৈছিল। কলেজ শিক্ষাবৰ্ষ আৰম্ভ হোৱাৰ সময়ত ১৯৬৪ চনৰ ২৭ মে' তাৰিখে ভাৰতবৰ্ষৰ ১ম প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ অবাঞ্ছিত মৃত্যু ঘটে। মৃত্যুৰ কিছুদিন পিছত জুন মাহৰ কোনো এটি দিনত ড° ভূপেন হাজৰিকাৰ দৰদী কণ্ঠত সুৰ এটি আকাশবাণী ৰেডিঅ'ৰ যোগেদি ভাহি আহিল-'ৰঙাকৈ গোলাপৰে কলি, হীৰালালে/জেঠৰে তেৰৰে বুধৰ দুপৰীয়া/তেৰশ এসত্তৰ চন/বাতৰি আহিলে জৱাহৰ নাই/অবিশ্বাস কৰিবৰ মন।' সেই সময়ত নেহৰুৰ প্ৰতি দেশৰ জনসাধাৰণৰ অগাধ শ্ৰদ্ধা আছিল। এই শ্ৰদ্ধাৰ প্ৰতীক হিচাবে একে সময়তে স্থাপন হোৱা উচ্চশিক্ষানুষ্ঠানখনিৰ নাম- বকো জৱাহৰলাল নেহৰু কলেজ বা মহাবিদ্যালয় ৰখা হয়।

নেহৰুৰ মৃত্যুৰ প্ৰায় ১ বছৰ পিছত ১৯৬৫ চনৰ এপ্ৰিল মাহত কচ্ছেৰ ৰাণ অঞ্চলত ভাৰত-পাকিস্তান যুদ্ধ সংঘটিত হয় আৰু দেশৰ সৰ্ব্বসাধাৰণৰ মনত কিছু অস্থিৰতাই বিৰাজ কৰে। বকো জৱাহৰলাল নেহৰু কলেজ স্থাপনৰ আগে পিছে দেশৰ পৰিস্থিতি কিছু অস্থিৰতাৰ মাজত থকাৰ সময়ত তেতিয়াৰ গুৱাহাটী নগৰক বাদ দি ডি.কে. কলেজৰ (মিৰ্জা) পিছতে দক্ষিণ পশ্চিম কামৰূপৰ একমাত্ৰ ১ম উচ্চ শিক্ষাৰ প্ৰাণ কেন্দ্ৰৰ বাবে জনগণৰ বিপুল সহাৰিয়ে অঞ্চলবাসী ৰাইজলৈ আশাৰ ৰেঙনি কঢ়িয়াই আনে।

বকো জৱাহৰলাল নেহৰু কলেজ স্থাপনৰ আৰম্ভণিৰে পৰা বিভিন্ন ধৰণে জৰিত থকা মোৰ দৃষ্টিত কেইজনমান ব্যক্তিৰ নাম উল্লেখৰ প্ৰয়োজনীয়তা ও প্ৰাসঙ্গিকতা আছে। তেওঁলোক আজীৱন সমাজকৰ্মী মুক্তিযোদ্ধা -শ্ৰীযুত কাতিৰাম ৰাভা, ° পূৰ্ণ চন্দ্ৰ দাস, ° নবীন চন্দ্ৰ কলিতা, ° জনাৰ্দ্দন শৰ্মা, ° ৰবীন্দ্ৰ চন্দ্ৰ দাস, ° চণ্ডীচৰণ ডেকা আদি ব্যক্তিসকল। লগতে সমাজৰ একাংশ সেৱক যথাক্ৰমে -যোগেন চৌধুৰী, সত্যনাৰায়ণ মহন্ত, উদয় ঠাকুৰীয়া, উমেশ ঠাকুৰীয়া, গোবিন্দ কলিতা, বনমালী দাস, সমুদ্ৰ অধিকাৰী, ৰমা চৌধুৰী, অচ্যুৎ চৌধুৰী, যোগেন বড়ো, ভাঠিৰাম ৰাভা, পুনিৰাম বড়ো, ধীৰ' চৌধুৰী, ভোগীৰাম বড়ো, পৰমা দলে, নাথুৰাম কৈৱৰ্ত্ত, পহৰু বড়ো, মহেশ্বৰ ৰাভা, মৌমান সেৱাশ্ৰমৰ প্ৰতিষ্ঠাপক ভুৱন মোহন দাস, কল্পনাৰায়ণ মজুমদাৰ আৰু লগতে একালৰ ৪৮ নং বকো বিধান সভা সমষ্টিৰ

বিধায়ক তথা পৰিবহন মন্ত্ৰী প্ৰবীণ চৌধুৰীৰ নাম অন্যতম । ওপৰত নাম উল্লেখ কৰা ব্যক্তিসকলৰ ভিতৰত বৰ্তমান ৯৮ বছৰীয়া শ্ৰীযুত কাতিৰাম ৰাভাৰ বাহিৰে বাকী আটায়ে ইহসংসাৰ ত্যাগ কৰিছে।

জৱাহৰলাল নেহৰু কলেজ বকো হাইস্কুলত চলি থকাৰ সমান্তৰালকৈ এই কলেজৰ বাবে ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ আশে পাশে ইয়াৰ স্থায়ী অৱস্থিতিৰ বাবে মাটিৰ অনুসন্ধান চলি থাকিল। বকো হাইস্কুলৰ প্ৰধান শিক্ষক মহোদয়ৰ মুখে শুনিবলৈ পালো-বকো মূল টাউনৰ কিছু নিলগত সুবিধাজনক ঠাইত কলেজ স্থাপন হ'লে বৰং নগৰৰ পৰিসৰ বৃদ্ধিহে হ'ব। মুঠতে কলেজৰ বাবে শান্তিপূৰ্ণ ঠাইত পৰ্যাপ্ত পৰিমাণৰ মাটি আৱণ্টন থাকিলেও ভৱিষ্যতলৈ শিক্ষাৰ বিভিন্ন দিশত কলেজ উন্নয়নৰ সুবিধা হ'ব। তেওঁৰ ব্যক্তিত্বশীল দূৰদৰ্শী সম্পন্ন মন্তব্যই কাম দিলে। জাৰাপাৰা বাজহ গাঁৱৰ ঘাঁহ-বন, জাৰণিয়ে আৱৰি থকা বিশাল ঘাঁহ(Grassing reserve) বাকৰি এখন সকলোৰে দৃষ্টি আকৰ্ষণ কৰিলে। তাৰে এটা অংশ গাঁৱৰ যুৱকসকলে সজাই লোৱা কিছু অংশ ফুটবল খেলা ফিল্ড। প্ৰথমে সন্মতিৰ কিছু অভাৱ আছিল যদিও পিছলৈ অঞ্চলৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত সেই গাঁৱৰে তেতিয়াৰ বয়োজ্যেষ্ঠ জ্ঞানী লোকসকলে হয়ভৰ দি সেই ভূমি কলেজ স্থাপনৰ নামত দিয়াৰ বাবে ৰাইজমেলত সন্মতি প্ৰদান কৰিলে। ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ নিচেই কাষৰ কাজিলি ভূঁই কৃষিভূমিৰ গাতে লাগি থকা 'গবডোঙা বাকাৰা'ৰ ১৫০ বিঘা মাটিত বকো জৱাহৰলাল নেহৰু কলেজ স্থাপন কৰাত ৰাইজৰ আপত্তি নাই। এই ক্ষেত্ৰত জাৰাপাৰা ৰাইজৰ সেই সময়ৰ সমাজৰ জ্যেষ্ঠ লোকসকলৰ নাম স্মৰণযোগ্য। তেওঁলোকৰ মতে- গাঁওখনৰ গাতে লাগি থকা 'গবদোঙা বাকাৰা'ৰ উচ্চ শিক্ষানুষ্ঠানৰ দ্বাৰা ভৱিষ্যত উঠি অহা যুৱচাম অন্ততঃ শৈক্ষিক দিশত উন্নতি কৰিব পাৰিব বুলি উৎসাহিত হোৱা ব্যক্তিসকল বৰ্ত্তমান আটায়ে স্বৰ্গগত। তেওঁলোক যথাক্ৰমে ছটাৰাম ৰাভা, জীৱন ৰাভা, সীতাৰাম ৰাভা, মনসিং ৰাভা, ধীৰ' ৰাভা, কালিৰাম ৰাভা, মহিৰাম ৰাভা, মিঠাৰাম ৰাভা, নকুল ৰাভা, মেমেৰা ৰাভা, সোণাৰাম ৰাভা, ধাতুৰাম ৰাভা আদিৰ নাম উল্লেখযোগ্য। এওঁলোক সকলোৰে মোৰ পৰিচিত।

জৱাহৰলাল নেহৰু কলেজৰ বাবে মাটিৰ সমস্যা সমাধান হ'ল। দলবাৰী পথাৰৰ দিশে বকো কলেজৰ প্ৰথমটি ভৱন প্ৰয়োজনবোধে পিছলৈ ল'ৰাৰ হেষ্টেল পৰিকল্পনাৰে (বৰ্ত্তমান বিজ্ঞান বিভাগসহ চলাই থকা হৈছে।) ভৱনটি বন্ধা হ'ল। বকো হাইস্কুলৰ পৰা কলেজ স্থানান্তৰ কৰাৰ কিছু বছৰলৈ সেই ভৱনটিতে প্ৰথমে কলা শাখাৰ শ্ৰেণীবোৰ চলাই থকা হ'ল। পিছলৈ কলেজৰ পৰিসৰ তথা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে আগলৈ ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ কাষৰ ফালে ২য় নতুন ভৱন সম্পূৰ্ণ হৈ উঠিল। ক্ৰমান্বয়ে ১৯৭৯ চনৰ পৰা ১৯৮৬ চন মানৰ ভিতৰত বিজ্ঞানৰ সকলোবোৰ বিভাগো প্ৰতিষ্ঠিত হ'ল। ১৯৮৯ চনত বকো কলেজৰ ৰূপালী জয়ন্তী বৰ্ষ সুকলমে উদ্‌যাপন কৰা হৈ গ'ল। এই ৰূপালী জয়ন্তী বৰ্ষৰ মুকলি অধিৱেশনৰ দিনা ৰাতিপুৱাৰ ভাগত উদ্‌যাপন কৰ। সাংস্কৃতিক শোভাযাত্ৰাৰ পৰিচালনাৰ দায়িত্ব তেতিয়াৰ অধ্যক্ষই মোকেই দিলে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাই আৰু অসমত মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ দিনত চৰকাৰী মনোনীত প্ৰাৰ্থী হিচাপে গভৰ্নিং বোডিৰ (GB) সদস্য হ'লো (১৯৭৯-৮২)। সেই সময়ত GB ৰ চেয়াৰমেন আছিল তেতিয়াৰ ৪৮ নং বকো বিধান সভা সমষ্টিৰ বিধায়ক শ্ৰীযুত উমেশ দাস। ইয়াৰ পৰৱৰ্তী সময়ছোৱাত বিশ্ববিদ্যালয় মনোনীত সদস্য হিচাপে ২য় বাৰলৈ এই কলেজৰ গভৰ্নিং বোডিৰ বাবে বাব এটি পোৱা হ'ল। তেতিয়াৰ GBৰ চেয়াৰমেন আছিল বকো ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মহেশ দাস। সেই সময়ত কলেজ পৰিচালনা সমিতিৰ সভাত যোগদান কৰিবলৈ আৰু কলেজৰ উন্নয়নমূলক কামৰ প্ৰাসঙ্গিকতাত Legal argument কৰিবলৈ তেতিয়াৰ Assam College Management Act খনৰ প্ৰয়োজনীয় অংশবিশেষ পঢ়ি-মেলি নিজক সাজু কৰি লৈ গৈছিলো। অন্যথা একো নজনাকৈ গভৰ্ণিং বোডিৰ সভাত 'টেবুল টক্' কৰি নিজক লঘু কৰাৰ মানসিকতা মোৰ নাছিল। পৰিচালনা সমিতিৰ সদস্য হৈ থকা কালত এবাৰ আভ্যন্তৰিণ হিচাপ পৰীক্ষক (Internal auditor) হিতাপেও কাম কৰিবলগীয়া হৈছিল। হিচাপ পৰীক্ষকৰ সহযোগী হিচাপে ঁ ৰঘুনাথ ৰাভা আৰু শ্ৰীযুত দেবেশ্বৰ গোস্বামীও আছিল। এবাৰ ধুমুহাই বকো কলেজ ভৱনৰ বিস্তৰ ক্ষতি কৰে। তেতিয়াৰ বিল্ডিং পুনৰ মেৰামতি (Reconstruction) কমিটিৰো সদস্য হিচাপে ৰাখে। Construction Committee ৰ সভাপতি ঁ অচ্যুৎ কান্ত অধিকাৰী আৰু কাৰ্যকৰী সভাপতি ঁ জনাৰ্দ্দন শৰ্মা এই কাৰ্যত বিশেষভাবে জৰিত আছিল।

অৱশ্যে কলেজ স্থাপন হোৱাৰ দিনৰে পৰা অঞ্চলৰ এই দুই মহীৰূহ অতি নিষ্ঠাৰে অনুষ্ঠানখনিৰ যি কোনো কামতে সহযোগ আগবঢ়াইছিল।

মই তেতিয়াৰ জনতা দলৰ বকোৰ কাউন্সিলাৰ তথা অবিভক্ত গুৱাহাটী মহকুমা পৰিষদৰ কাৰ্যবাহী কাউন্সিলাৰ (শিক্ষা, কৃষ্টি জনকল্যাণ, চেয়াৰমেন) হৈ থকা কালত কেইবাৰো অধ্যক্ষ শ্ৰীযুত যতীন চন্দ্ৰ নাথ ঁ অচ্যুৎ কান্ত অধিকাৰী, জনাৰ্দ্দন শৰ্মা, বকো আঞ্চলিক জনতা দলৰ সভাপতি ঁ লক্ষীকান্ত মহন্ত আৰু বিধায়ক উমেশ দাস সমন্বিতে বকো কলেজৰ উন্নয়ন সন্দৰ্ভত অসমৰ তেতিয়াৰ শিক্ষা সচিব ভাস্কৰ বৰুৱা, মুখ্যমন্ত্ৰী গোলাপ বৰবৰা আদি ব্যক্তিৰ চেম্বাৰলৈ যোৱা হৈছিল। কেতিয়াবা বকো কলেজতকৈ পিছত স্থাপন হোৱা নগৰবেৰাৰ বি,পি, চলিহা কলেজৰ অধ্যক্ষ ঁ দেৱ প্ৰসাদ শইকীয়াও তেওঁৰ কলেজৰ বাবে আমাৰ সজাতি দলৰ লগত সহযোগ কৰিছিল। তেতিয়া গুৱাহাটী বা দিছপুৰলৈ সজাতি দল গ'লে বাছেৰেই যোৱা হৈছিল আৰু চহৰত ইটো-সিটো অফিচ ঘূৰিবলৈ হ'লে ৰিক্সা নাইবা অটোৰে ঘূৰি কলেজৰ কাম সমাধা কৰা হৈছিল।

১৯৮৫ চনত অসম লোকসেৱা আয়োগত চাকৰীৰ বাবে সাক্ষাতকাৰ দিও আৰু বাছনিত নিযুক্তি পাই ১৯৮৬ চনৰ ফেব্ৰুৱাৰীত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ সাংস্কৃতিক কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে চৰকাৰী চাকৰিত যোগদান কৰোঁ। তেতিয়াৰ পৰা অঞ্চলৰ যিকোনো অনুষ্ঠান আদিৰ লগত সক্ৰিয় সহযোগ একপ্ৰকাৰ ব্যাহত হয়।

বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত অভ্যাসন, অনুশীলনৰ কেইটিমান স্মৰণীয় দিশ-

১৯৮০ চনৰ নৱেম্বৰ মাহত আন্তঃৰাজ্যিক সাংস্কৃতিক সমাৰোহ দিল্লীৰ ছত্ৰশাল ষ্টেডিয়ামত অনুষ্ঠিত হৈছিল। গুৱাহাটী নেহৰু যুবক কেন্দ্ৰৰ সৌজন্যত 'ৰাভা কষ্টিউম পেৰেড' প্ৰদৰ্শনৰ বাবে এই বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয় প্ৰাঙ্গনতেই কেইদিনমান অনুশীলন কৰা হৈছিল। এই দলটিৰ দল পৰিচালক হিচাপে সমাৰোহত যোগদান কৰোঁ আৰু লগতে নিউ দিল্লীৰ প্ৰগতি ময়দানত উদ্‌যাপিত হোৱা আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা চোৱাৰ সুবিধা পাইছিলোঁ।

১৯৮১ চনৰ ২৪ আৰু ২৫ জানুৱাৰীত Old Delhi ৰ গান্ধীদৰ্শন গ্ৰাউণ্ডত বিশ্বযুৱক কেন্দ্ৰৰ সৌজন্যত আন্তঃৰাষ্ট্ৰীয় যুৱ মহোৎসৱত যোগদান কৰাৰ বাবে বকো অঞ্চলৰ শিল্পীৰ দল এটি নিৰ্ব্বাচন কৰি ৰাভা লোকনৃত্য আৰু বিহুদল একেটি দলৰেই দুটি আইটেম লৈ এই বকো জে.এন. কলেজ প্ৰাঙ্গণতেই সাতদিনীয়া ৰিহাৰ্চেলৰ থলী হিচাপে ব্যৱহাৰ কৰিছিলোঁ। গুৱাহাটী নেহৰু যুৱক কেন্দ্ৰৰ সমন্বয়ৰক্ষী বিষয়া ঁ গোপীনাথ তালুকদাৰৰ তত্বাৱধানত দলটিৰ পৰিচালক হিচাপে উক্ত অনুষ্ঠানত অংশ গ্ৰহণ কৰিছিলোঁ। উল্লেখনীয় যে নিউ দিল্লীৰ ৰাজপথত ২৬ জানুৱাৰীৰ ৰাষ্ট্ৰীয় গণতন্ত্ৰ দিৱস উপভোগ কৰাৰ বাবে যুৱ মহোৎসৱত অংশগ্ৰহণ কৰা সাংস্কৃতিক দলসমূহক বিশ্ব যুৱক কেন্দ্ৰৰ তৰফৰ পৰা অনুমতি প্ৰদান কৰিছিল।

১৯৮২ চনৰ ১৯ নৱেম্বৰৰ পৰা নিউ দিল্লীত অনুষ্ঠিত হোৱা ৯ম এচিয়ান গেম্‌চৰ সাংস্কৃতিক অনুষ্ঠানত অংশ গ্ৰহণ কৰাৰ বাবে বকো অঞ্চলৰ ভোগ্‌দাবাৰীকে আদি কৰি কেইখনমান গাঁৱৰ বচা বচা শিল্পীক বাচনি কৰি ১০ জনীয়া শিল্পীৰ দলেৰে এই বকো কলেজ প্ৰাঙ্গণতেই সপ্তাহ জোৰা ৰিহাৰ্চেল দিয়া হৈছিল। বড়োলোক নৃত্যৰ বাগৰুম্বা, ছত্ৰালী আৰু বাৰদৈ চিখলা নৃত্যৰ কোৰিওগ্ৰাফ্ চাই দিছিল আনন্দ মোহন ভাগৱতীয়ে। যথাসময়ত অসম সাংস্কৃতিক সঞ্চালকালয়ৰ তেতিয়াৰ সঞ্চালক আনন্দমোহন ভাগৱতীৰ তত্বাৱধানত দলৰ দলপতি হিচাপে যোগদান কৰিছিলো। ১৯ নৱেম্বৰত সন্ধিয়া সাৰঙ্গ ষ্টেজৰ Assam Day ত বাগৰুম্বা নৃত্য আৰু ২৪ নৱেম্বৰত এচিয়ান গেমচৰ মূল মঞ্চ চেণ্ট্ৰেল অডিট'ৰিয়ামত ছত্ৰালী নৃত্য পৰিবেশন কৰা হৈছিল। শিল্পী সকলৰ ভিতৰত বকো কলেজত অধ্যয়ন কৰি যোৱা ছাত্ৰ-ছাত্ৰীও জৰিত আছিল।

**সুদীৰ্ঘ কাল বিৰতিৰ পিছত-**

১৯জুন ২০১৪ চন, বৃহস্পতিবাৰ। ১২ জুন তাৰিখে স্বৰ্গগামী হোৱা অসমৰ খ্যাতনামা শিল্পী প্ৰয়াত খগেন মহন্তৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানলৈ বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ আমন্ত্ৰণ ক্ৰমে যোগদান কৰিলোঁ। আহ্বায়িকা বকো মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা সুকণ্ঠী মঞ্জিৰা শৰ্মা। প্ৰথমে উপাধ্যক্ষৰ কক্ষতে খন্তেক জিৰণি ল'বলৈ দিলে। এই সময়খিনিত চা-চিনাকি থকা জ্যেষ্ঠ অধ্যাপক-অধ্যাপিকাসকলে এখন্তেক মাত বচন দি মনৰ খোৰাক যোগালে। দীৰ্ঘদিনীয়া বিৰতিত উচ্চ শিক্ষানুষ্ঠানখনৰ মজিয়া গৰকি ৰস আচ্ছাদন হ'ল। জ্যেষ্ঠ অধ্যাপকসকলৰ লগত হোৱা আন্তৰিকতাপূৰ্ণ চমু বাৰ্ত্তালোচনাবোৰ মোৰ মনৰ মাজতে একো একোটি সুন্দৰ টীকা

ভাষ্য হৈ ৰব। এনে এক মুহূৰ্ততে জ্যেষ্ঠ সহযোগী অধ্যাপিকা বিজয়া ডেকা চহৰীয়াই মোৰ ওচৰত বহি অতি মৃদুভাষাৰে কথাৰ মেলানি মেলিলে-'মই কোৱা কথাখিনি কিবা ভাবিছেনে?' মই বুজিলোঁ- তেওঁ ফোনযোগে কোৱা কথাবোৰ মোৰ মনত আছে। ক'লোঁ-কলম হাতত তুলি লোৱা নাই। আপুনি কোৱা কথাৰ আঁত ধৰি মোৰ মন মগজুত বিগত বহু চিন্তাই পাকঘূৰণি খাই আছে। তেওঁ ততালিকে ক'লে-'অ' মই ভাবিছোঁৰেই - সোনকালে কিবা এটি লিখি দিয়ক। অঞ্চলৰ আলোকপাত সম্পৰ্কীয় লেখা হ'লে ভাল হয়।

সেইদিনাৰ প্ৰয়াত খগেন মহন্তলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আড়ম্বৰ পূৰ্ণ চেমিনাৰ হ'লত অনুষ্টুপীয়াকৈ উদ্‌যাপিত হ'লেও মহাবিদ্যালয়ৰ অধ্যক্ষকে আদি কৰি গুৰু শিষ্যৰ আন্তৰিক সমন্বয় আৰু উদ্দেশ্য সাফল্যমণ্ডিত কৰাৰ বাবে উপস্থিত সকলোৱে দায়বদ্ধতা বাৰুকৈয়ে উপলব্ধি কৰিলোঁ। অনুষ্ঠান পৰিচালিকা (মঞ্জিৰা শৰ্মা)ই আদিৰে পৰা অন্তলৈ আঁত ধৰি সুন্দৰ ভাবে কাৰ্য্য পৰিচালনা কৰিছে। শিল্পীপ্ৰাণ অধ্যাপক আৰু ছাত্ৰসকলে পৰিচালিকাৰ নিৰ্দ্দেশক্ৰমে প্ৰয়াত খগেন মহন্তৰ গীত-মাত ক্ষেত্ৰভিত্তিক আৰু তেওঁৰ সোঁৱৰণিত স্বৰচিত কবিতা পাঠ আদি কাৰ্যসূচীৰ উপস্থাপন আৰু পৰিবেশন উভয় দিশতেই অনুষ্ঠানৰ সৌষ্ঠৱ ৰক্ষা কৰিছে। প্ৰয়োজনবোধে পৰিচালিকা নিজেও পৰিবেশনত সহায় কৰি শিল্পীশৈলীৰ অন্য এক সুৰুদি মাত্ৰা প্ৰদান কৰিছে। মাজে মাজে বিভিন্ন সময়ত উদ্‌যাপিত হোৱা এনে বিৰল মুহূৰ্ত্তবোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ দৰে একোখন উচ্চ শিক্ষানুষ্ঠানৰ বাবে ভৱিষ্যতলৈ সাংস্কৃতিক ৰক্ষাকবচ হিচাপে সংৰক্ষণ হৈ থাকিব।

শ্ৰদ্ধাঞ্জলি অনুষ্ঠান শেষ হোৱাৰ পিছত প্ৰেক্ষাগৃহ এৰাৰ পথত উপাধ্যক্ষা মহোদয়াই কলেজ পুথিভঁৰালটি এবাৰ নিৰীক্ষণ কৰিবলৈ ক'লে। নতুন ভৱনত সংস্থাপিত কৰা পুথিভঁড়ালৰ পুথি সংৰক্ষণৰ সংস্কাৰিত পৰিপাটিয়ে যি কোনো দৰ্শনাৰ্থীৰ মন জয় কৰিব পাৰিব। ইয়াৰ পিছত অধ্যক্ষৰ কক্ষত বহি খন্তেক মনোজ্ঞ মত বিনিময় কৰিলোঁ আৰু চাহ জলযোগৰ আতিথ্য লৈ তেওঁৰ কোঠাৰ বাহিৰ ওলালোঁ। অধ্যক্ষ ডঃ নৃপেন গোস্বামীদেৱেও কিছু আগবাঢ়ি সমুখৰ মিনিষ্টেডিয়ামৰ গেলাৰীৰ পশ্চাৎভাগত সাজি উলিওৱা কোঠালিসমূহৰ চমু বিৱৰণ দিলে। কলেজ চৌহদৰ চৌদিশে চকু ফুৰাই মই ক'লোঁ- এবাৰ পুৰণি ভৱন প্ৰাঙ্গণত (বৰ্তমান বিজ্ঞান বিভাগসমূহৰ ভৱন) উদ্‌যাপিত হোৱা কলেজৰ বাৰ্ষিক অধিৱেশনত যোগদান কৰি তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী (১৯৭০-৭২) মহেন্দ্ৰ মোহন চৌধুৰীয়ে বিশাল জনসভাত ভাষণ প্ৰসঙ্গত কৈছিল-'নগৰ চহৰসমূহত কলেজৰ নামত ৫/১০ বিঘা মাটিয়েঁই পোৱা নাযায়, বকো কলেজৰ বাবে ১৫০ বিঘা মাটি কিহৰ প্ৰয়োজন।' সৎ আৰু বিজ্ঞ তেতিয়াৰ মুখ্য মন্ত্ৰীৰ ভাষ্যই এচাম দূৰদৰ্শী সম্পন্ন সচেতন ব্যক্তিৰ মনজয় কৰিব পৰা নাছিল। বৰ্তমান ১১০ বিঘা মাটি কলেজৰ নামত সংৰক্ষিত হৈ থকা বুলি জানিব পৰা গৈছে। ইয়াৰে ৩০ বিঘা মাটিত কেন্দ্ৰীয় ৰবৰ বোৰ্ডৰ তত্ত্বাৱধানত ৰবৰ পুলিৰ নাৰ্চাৰী বেড্ এখনি গঢ়লৈ উঠিছে। এইবেলি ভিজিলেন্সলৈ অহা নাক (NAAC) ৰ সদস্য বৰ্গই নদন-বদন হৈ উঠা ৰবৰৰ পুলিবোৰ দেখি উৎফুল্লিত হৈছিল। বৰ্তমান শিক্ষানীতিৰ পৰিবৰ্তনৰ লগে লগে প্ৰায়োগিক বিজ্ঞান প্ৰযুক্তি আৰু ব্যৱহাৰিক যান্ত্ৰিক দিশৰ প্ৰতিহে শিক্ষাৰ্থীসকলৰ মাজত এনে শৈক্ষিক বাতাবৰণৰ প্ৰভাৱ পৰিছে। এনে ক্ষেত্ৰত অনুশীলন স্থলী, যাদুঘৰ, পুথিভঁৰাল, প্ৰায়োগিক উদ্যানক্ষেত্ৰ আদি প্ৰকল্পৰ আন্তঃগাঁথনি কাৰিকৰী বিশেষজ্ঞৰ (Technician) নীতিসন্মত চিন্তা-চৰ্চা কৰিবলৈ ক্ৰীড়াভূমি, উদ্যান আদিক বাদ দি ১১০ বিঘা মাটিৰ কিমান সংকোচন ঘটিব অনুমান কৰিব পাৰি। বিজ্ঞান বিভাগ সমূহৰ সমান্তৰালভাবে কলা শাখাৰ বিভাগসমূহৰ বাবেও তদ্ৰুপ প্ৰকল্প থলীৰ নিশ্চয় প্ৰয়োজন আছে।

উল্লেখযোগ্য যে আজিকালি বহু অত্যাধুনিক নতুন নতুন বিষয়-বস্তু কলেজ মহাবিদ্যালয়সমূহলৈ বিস্তাৰিত হোৱা পৰিলক্ষিত হৈছে। যিসমূহ বিষয়বস্তু ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰিলে চাকৰি নেপালেও নিজকে আত্মসংস্থাপন কৰি ল'ব পাৰিব। সেইসমূহৰ ভিতৰত ব্যৱসায়-বাণিজ্য, কলা-কৃষ্টি, উদ্যোগ, ফেশ্বন ডিজাইনং, ইলেক্ট্ৰনিক মাধ্যমৰ শিক্ষা, ক্ৰীড়া চৰ্চা, কৃষি উদ্যোগ কাৰিকৰী বিদ্যা ইত্যাদি। আনকি উচ্চমানবিশিষ্ট কলেজসমূহত স্নাতকোত্তৰ পৰ্যায়ৰ সুবিধাজনক পাঠ্যক্ৰম খোলাৰ ব্যৱস্থা পৰ্যন্ত আজিৰ দিনত ঘটিছে। যদি এইবোৰ 'টেক্‌নিকেল' চিন্তা-চৰ্চাৰে বাস্তৱৰূপৰ প্ৰতিচ্ছবি এখনি পৰিকল্পনা কৰা যায় ইয়াৰ আশু সমাধান নহ'লেও ভৱিষ্যতলৈ উপকণ্ঠীয় কলেজসমূহতকৈ বয়োজ্যেষ্ঠ (পুৰণি)বকো কলেজত ইয়াৰ কাৰ্যকৰীতাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। আনহাতে উল্লেখনীয়ভাবে অন্যান্য কলেজৰ তুলনাত বকো কলেজৰ আবেষ্টনীত স্থাৱৰ ভূমি সম্পত্তি এড়ৰা এতিয়াও পৰ্যাপ্ত হৈ আছে।

বকো অঞ্চলৰ ৰাইজৰ বহু আশা-ভৰসা, জ্ঞান-বিজ্ঞান

বিকাশৰ কেন্দ্ৰস্থল, অগণন ছাত্ৰ-ছাত্ৰীক মানুহ গঢ়াৰ উদ্যোগ স্থল বকো জৱাহৰলাল মহাবিদ্যালয় বৰ্তমান বহু উন্নত। আটাইবোৰ বিভাগৰ আন্তঃগাঁথনি বহিৰ্দৃষ্টিত সম্পূৰ্ণ হোৱাৰ পথত। আভিযান্ত্ৰিক কাৰিকৰী দিশত কিছু সুক্ষ্ম চিন্তাৰ প্ৰয়োজন। তেতিয়া সংস্থাপিত কলেজ চৌহদৰ নান্দনিক দিশ আৰু ভৱনসমূহৰ সৌন্দৰ্যবৰ্দ্ধন সোণত সুৰগা চ'ৰা হ'ব।

কলেজ সংস্থাপনৰ আদিতে মৰ সাহস দি দেহেকেহে লগা প্ৰয়াত পুৰোধা ব্যক্তিসকললৈ স্মৃতি শ্ৰদ্ধাঞ্জলি যাঁচি সময়ে সময়ে কলেজলৈ সহায়ৰ হাত আগবঢ়োৱা নেতা-সমাজকৰ্মী, শিক্ষাবিভাগৰ বিভাগীয় উৰ্দ্ধতন কৰ্তৃপক্ষৰ অনুদান আয়োগসমূহৰ কৃপাদৃষ্টিত বকো জে, এন,কলেজ ধন্য হওঁক। এই কলেজৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা তথা কৰ্মচাৰীসকল এজনা মহান ব্যক্তিৰ নামেৰে গঢ়ি উঠা মহান অনুষ্ঠানখনিৰ মহানতাৰে মহীয়ান হওঁক। সোণালী জয়ন্তী বৰ্ষত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰিলোঁ। জৱাহৰজ্যোতিৰ প্ৰতীক চিহ্নত খোদিত 'সা বিদ্যা য়া বিমুক্তায়' হিয়াই হিয়াই আলোকিত হওঁক। ◎◎◎

***'The idea of education has long been the improvement of the individual. That ideal must inevitably hold, for without individual advancement there can be no social progress. But even that care of the individual must today be considered in terms of the mass of the people or else the enlightened individual will be submerged in the unenlightened mass. And, in any event, is it right or just that a group of individuals should have opportunities of advancement and growth which are denied to the many?***

***All education must have a definite social outlook and must train our youth for the kind of society we wish to have. Politicians may strive for political and economic changes in order to bring that society into existance but the real basis of that society must be laid in the teaching of our schools and colleges.'***

**- Jawaharlal Nehru**